# শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ ঐতিহ্য আৰু পৰম্পৰা : এক অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া DSE-2 (H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প ।


তত্ত্বাৱধায়ক

ড° দেৱপ্ৰতীম হাজৰিকা

সহকাৰী অধ্যাপক

অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা

ধন্যজ্যোতি শইকীয়া

স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাসিক

অসমীয়া বিভাগ

Roll No : 30810082

Registration No : S1921585

নন্দনাথ শইকীয়া মহাবিদ্যালয় তিতাবৰ, যোৰহাট,



ইং- ২০২২ বৰ্ষ

# কৃতজ্ঞতা জ্ঞাপন

অসমৰ সত্ৰীয়া সংস্কৃতিৰ মূল বাহক হৈছে সত্ৰসমূহ । এই সত্ৰসমূহৰ সত্ৰীয়া পৰম্পৰা আৰু ঐতিহ্য বৰ্তমান বিশ্বতে সদূৰ প্ৰসাৰী হৈছে । যাৰ বাবে সত্ৰীয়া সংস্কৃতিৰ মানদণ্ড ই যথেষ্ট গুৰুত্ব তথা বিকাশ লাভ কৰিছে । তাৰোপৰি সত্ৰৰ আধ্যাত্মিক চিন্তা, নৈতিক আৰ্দশ, সামাজিক আৰু সাংস্কৃতিক পৰিবেশ মানুহৰ মনত ক্ৰিয়া কৰি সংযম কৰি তুলিছে ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অসমীয়া বিষয়ৰ পাঠক্ৰমত ‘ভাষা সাহিত্য আৰু সংস্কৃতিৰ প্ৰকল্প প্ৰস্তুতৰ’ বিষয়ক পাঠ্যক্ৰম সংযোগ কৰি এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে । এই পাঠ্যক্ৰমৰ ভিতৰত সংস্কৃতিৰ বিষয়ে উপযোগী হোৱাকৈ ‘শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ পৰম্পৰা আৰু ঐতিহ্য’ এক অধ্যযন নামৰ’ এখন গ্ৰন্থ লিখাৰ প্ৰয়াস কৰা হৈছে । ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ছাত্ৰ-ছাত্ৰী হিচাপে এই বিষয়ে লিখাৰ সুযোগ দিয়াৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ ধন্যবাদ থাকিল ।

তাৰোপৰি বিষয়টো লিখাত সহায় কৰা তত্ত্বাৱধায়ক দেৱপ্ৰতীম হাজৰিকা ছাৰৰ লগতে অসমীয়া বিভাগলৈ অশেষ ধন্যবাদ থাকিল । লগতে কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰকে ধৰি সমূহ ভকতবৃন্দলৈ সহায় সহযোগীতা কৰাৰ বাবে ধন্যবাদ থাকিল ।

কমলাবাৰী সত্ৰৰ ঐতিহ্য আৰু পৰম্পৰা এক অধ্যয়ন নামৰ গ্ৰন্থখনিয়ে পাঠক, শিক্ষক আৰু ছাত্ৰ ছাত্ৰীসকল বিষয়টো উপলব্ধি কৰাত সহায় কৰিব বুলি আশাঁ কৰিলোঁ । এই বিষয়টো লিখাৰ ক্ষেত্ৰত হোৱা ভূলবোৰ যাতে ক্ষমা কৰি দিয়ে । আশাঁ কৰোঁ গ্ৰন্থখনিক পাঠক সমাজে সাদৰেৰে আকোঁৱালি ল’ ব ।

ধন্যজ্যোতি শইকীয়া

# সূচীপত্ৰ

অৱতৰণিকা

বিষয়ৰ পৰিচয়

বিষয়ৰ পৰিসৰ

বিষয়ৰ পদ্ধতি

বিষয়ৰ লক্ষ্য আৰু উদ্দেশ্য

পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

প্ৰথম অধ্যায় : অসমৰ সত্ৰৰ ইতিহাস আৰু ঐতিহ্য

১. সত্ৰৰ প্ৰতিষ্ঠা আৰু বিকাশ

২. সত্ৰৰ গঠন প্ৰণালী আৰু সংহতি অনুসৰি বিভাজন, বিস্তাৰ

৩. সত্ৰীয়া জীৱন ধাৰণ

৪. সত্ৰত পালিত নিত্য কৰ্মসমূহ

৫. সত্ৰীয়া উৎসৱসমূহৰ শ্ৰেণীবিভাজন

৬. সামাজিক, আনুষ্ঠানিক আৰু মহাপুৰুষসকলৰ বাৎসৰিক তিথি

দ্বিতীয় অধ্যায় : কমলাবাৰী সত্ৰৰ ইতিহাস

তৃতীয় অধ্যায় : কমলাবাৰী সত্ৰৰ ঐতিহ্য আৰু পৰম্পৰা

১. সত্ৰত পালিত নিত্য কৰ্মসমূহ

২. সত্ৰীয়া উৎসৱৰ আলোচনা

৩. সত্ৰৰ সম্পদৰাজি আৰু পুথিচিত্ৰ

চতুৰ্থ অধ্যায় : অসমৰ সত্ৰ পৰম্পৰালৈ কমলাবাৰী সত্ৰৰ অৱদান

পঞ্চম অধ্যায় : তিতাবৰৰ জনজীৱনলৈ কমলাবাৰী সত্ৰৰ অৱদান

ষষ্ঠ অধ্যায় : উপসংহাৰ

সহায়ক গ্ৰন্থপঞ্জী

তথ্যদাতাৰ তালিকা

আলোক চিত্ৰ

# অৱতৰণিকা

## বিষয়ৰ পৰিচয়

অসমখন বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি পৰিপূৰ্ণ এক সমন্বয় ক্ষেত্ৰ । অসমত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ বিভিন্ন ৰীতি-নীতি, আচাৰ-আচৰণ, উৎসৱ-অনুষ্ঠান, ধৰ্ম, শিক্ষা, আৰ্দশ, সাহিত্য, বিশ্বাস-অন্ধবিশ্বাস, জীৱন ধাৰণ প্ৰণালী, ইতিহাস, দৰ্শন, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি দিশসমূহ অৰ্ন্তনিহিত হৈ থাকে সংস্কৃতিত । যাৰ বাবে সংস্কৃতিক প্ৰতিটো জাতি-জনগোষ্ঠীৰে পৰিচয় স্বৰূপ বুলি কোৱা হয় । এই কলা সংস্কৃতিসমূহৰ ভিতৰত অসমৰ সমাজ-সংস্কৃতিলৈ মহাপুৰুষ দুজনাই আগবঢ়োৱা সবোৎকৃষ্ট অৱদান সমূহৰ ভিতৰত অন্যতম অৱদান হ'ল সত্ৰ ব্যৱস্থা । এওঁলোকে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰাৰ অৰ্থে সত্ৰসমূহৰ প্ৰতিষ্ঠা কৰা সৰ্ম্পকে চিন্তা কৰে আৰু পৰৱৰ্তী সময়ত তেওঁলোকৰ শিষ্যসকলে অসমৰ বিভিন্ন ঠাইত ভালেমান সত্ৰ প্ৰতিষ্ঠা কৰে । সত্ৰৰ ঘাই লক্ষ্য আছিল ভক্তিমাৰ্গৰ যোগেদি ইষ্টদেৱতাক উপাসনা কৰা, ধৰ্মীয় তত্ত্বচৰ্চা কৰা আৰু প্ৰসাৰ ঘটোৱা । শাক্ত ধৰ্মৰ দিশেৰে লৈ যোৱাৰ ক্ষেত্ৰত সত্ৰই গুৰু পূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল । তদুপৰি কাব্য, নাটক, সংগীত আদি কলাৰ চৰ্চা আৰু অনুশীলনৰ যোগেদি জনসাধাৰণৰ মাজত আধ্যাত্মিক, নৈতিক, সাংস্কৃতিক তথা সামাজিক চিন্তা-চেতনাৰ প্ৰসাৰ ঘটাবলৈ সক্ষম হৈছিল ।

## বিষয়ৰ পৰিসৰ

প্ৰস্তাৱিত বিষয়ৰ অধ্যয়নৰ ক্ষেত্ৰত সত্ৰীয়া জীৱন ধাৰণৰ প্ৰণালী, উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি আদি দিশসমূহক সামৰি লোৱা হৈছে । প্ৰস্তাৱিত বিষয়টোত অসমৰ সত্ৰসমূহৰ আলোচনাক গৌণ বিষয় আৰু মাজুলীৰ পৰা স্থানান্তৰিত হৈ তিতাবৰৰ মহিমাবাৰী অঞ্চলত প্ৰতিষ্ঠা হোৱা কমলাবাৰী সত্ৰৰ আলোচনাক মূল বিষয় হিচাপে লোৱা হৈছে ।

## বিষয়ৰ পদ্ধতি

কমলাবাৰী সত্ৰৰ ইতিহাস কি, ইয়াত কেতিয়া কেনেকৈ উৎসৱসমূহ পালন কৰা হয়, ৰীতি-নীতি আৰু জীৱন ধাৰণৰ প্ৰণালী কেনেধৰণৰ, সত্ৰৰ ঐতিহ্য তথা পৰম্পৰাৰ মুখ্য বিষয়বস্তু কি, এই বিষয়সমূহৰ ঐতিহাসিক বিৱৰণো দাঙি ধৰা হৈছে । সেয়ে বিষয়টো আলোচনা কৰিবৰ বাবে ঐতিহাসিক পদ্ধতি আৰু প্ৰয়োজন সাপেক্ষে বিশ্লেষণাত্মক পদ্ধতি অৰ্ন্তভুক্ত কৰা হৈছে । তাৰোপৰি ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু গ্ৰন্থৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে ।

## বিষয়ৰ লক্ষ্য আৰু উদ্দেশ্য

সত্ৰসমূহৰ মূল লক্ষ্য আৰু উদ্দেশ্য একে হ'লেও সংহতি অনুযায়ী সত্ৰত পালন কৰা উৎসৱৰ পালনীয় ব্যৱস্থাৰ আৰু ৰীতি-নীতিৰ পাৰ্থক্য আছে । সেইবাবে সত্ৰ অনুযায়ী তাৰ আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক দিশসমূহৰ গুৰুত্ব বেলেগ

বেলেগ হয় । সত্ৰত পালন কৰা এই উৎসৱ-অনুষ্ঠানৰ মাজত সত্ৰীয়াৰ সাংস্কৃতিক জীৱনধাৰা, সমাজৰ আধ্যাত্মিক আৰু নৈতিক আৰ্দশ, ৰীতি-নীতিৰ আভাস পাব পাৰি । এই দিশৰ ভিত্তিত সত্ৰীয়া জীৱন সম্যক পৰিচয় লগতে ধৰ্মীয় তথা সাংস্কৃতিক জীৱনৰ কিছু অনালোচিত দিশ পোহৰলৈ অনাটোও প্ৰস্তাৱিত বিষয়ৰ লক্ষ্য আৰু উদ্দেশ্য । অসমীয়া সমাজত লোক-পৰম্পৰা অনুসৰি নানা উৎসৱ পালন কৰি অহা হৈছে । সত্ৰ সমাজতো সেই লোক-উৎসৱ পৰ্বসমূহ পালন কৰা প্ৰথা আছে । তদুপৰি

উৎসৱসমূহ আধ্যাত্মিক লক্ষ্যকেন্দ্ৰিক । সেয়েহে সত্ৰভাগৰ প্ৰচলিত ৰীতি-নীতি, পৰম্পৰা আৰু উৎসৱসমূহৰ মাজত থকা বৈশিষ্ট্যপূৰ্ণ দিশসমূহক বিচাৰ কৰা প্ৰস্তাৱিত বিষয়টোৰ অন্য এক লক্ষ্য । তাৰোপৰি সত্ৰভাগে জনসমাজলৈ আগবঢ়োৱা অৱদানৰ সম্পৰ্কে ইয়াত আলোচনা কৰা হ'ব । সত্ৰৰ উৎপত্তি, গঠন প্ৰক্ৰিয়া, সংহতি অনুসৰি সত্ৰভাগৰ শ্ৰেণীবিভাজন, সত্ৰৰ নিত্য-নৈমিত্তিক কাযাৱলী, উৎসৱ-পৰ্ব, জনসমাজলৈ আগবঢ়োৱা অৱদানৰ বিৱৰণ দিবলৈ প্ৰয়াস কৰা হৈছে ।

## পূবকৃৰ্ত অধ্যয়নৰ সমীক্ষা

কোনো এটা বিষয়ৰ সম্পৰ্কে গৱেষণা কৰিবলৈ হ'লে পূৰ্বতে বিষয়টোৰ সম্বন্ধে হোৱা আলোচনাৰ আভাস লোৱা আৱশ্যক । তাৰে কিছু সমীক্ষা তলত আলোচনা কৰা হ'ল -

পীতাম্বৰ দেৱগোস্বামীৰ – সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য নামৰ গ্ৰন্থখনত অসমৰ সত্ৰসমূহৰ উৎপত্তি, বিকাশ, সত্ৰীয়া উৎসৱৰ শ্ৰেণী বিভাজনৰ সকলো দিশ বিস্তাৰিতভাৱে আলোচনা কৰা আছে ।

তুলতুল বৰা(বৰুৱা)ৰ ইতিহাসৰ জলঙাৰে শ্ৰী শ্ৰী কমলাবাৰী সত্ৰৰ শত পল্লৱ নামৰ গ্ৰন্থখনত কমলাবাৰী সত্ৰৰ উৎপত্তি, স্থানান্তৰ হোৱাৰ ইতিহাস, সত্ৰীয়া জীৱন ধাৰণ প্ৰণালী, উৎসৱ-পাৰ্বণ, সম্পদৰাজি আৰু সাঁচিপাতৰ পুথিসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে ।

নাৰায়ণ চন্দ্ৰ গোস্বামীৰ সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা নামৰ গ্ৰন্থত সত্ৰীয়া পৰম্পৰা আৰু সত্ৰসমূহৰ বিষয়ে আলোচনা কৰা হৈছে ।

# প্ৰথম অধ্যায়

# অসমৰ সত্ৰৰ ইতিহাস আৰু ঐতিহ্য

## ১. সত্ৰৰ প্ৰতিষ্ঠা আৰু বিকাশ

খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ আশে-পাশে সমগ্ৰ ভাৰতবৰ্ষত আলোড়ন সৃষ্টি কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনে অসমতো প্ৰভাৱ বিস্তাৰিত কৰিছিল । এই সময়ছোৱাত অসমত নানা ধৰ্ম, নানা আচাৰ পদ্ধতিৰ সৃষ্টি হৈছিল । যাৰ ফলত নৈতিক আৰ্দশ, আধ্যাত্মিক চেতনা, সত্যধৰ্ম আচৰণৰ বিপৰীতে সমাজত কু-আৰ্দশই খোপনি পুতিছিল । পঞ্চদশ শতিকাৰ শেষৰ ফালে এই বিশৃংখলতাক নাইকিয়া কৰি ‘এক শৰণ নাম ধৰ্ম প্ৰচাৰ’ কৰাৰ অৰ্থে মহাপুৰুষজনাই নৱ-বৈষ্ণৱ ধৰ্মৰ চৰ্চাৰ কথা চিন্তা কৰে । এই ক্ষেত্ৰত অসমৰ সমাজ-সংস্কৃতিলৈ আগবঢ়োৱা তেওঁলোকৰ অন্যতম অৱদান হ'ল সত্ৰ ব্যৱস্থা । অসমত নৱ-ব্ৰৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰি সেই ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে শংকৰদেৱে প্ৰথমে বৰদোৱাত কীৰ্ত্তন-ঘৰ সাজি ভক্তিৰ প্ৰথম খুটি মাৰি সত্ৰ আৰু নামঘৰৰ বীজ ৰোপণ কৰে । সত্ৰ হৈছে অসমৰ জাতীয় জীৱনৰ অপৰিহাৰ্য অংগ । ‘সত্ৰ’ শব্দৰ আভিধানিক অৰ্থ হ'ল অধিৱেশন, হোম-যজ্ঞানুষ্ঠান, নিবাসস্থান । অসমত সত্ৰ শব্দটো বৈষ্ণৱ ধৰ্ম পালনাৰ্থে আৰু প্ৰচাৰাৰ্থে গুৰু-শিষ্য সমন্বিতে থকা কেন্দ্ৰ অৰ্থত ব্যৱহৃত হৈছে ।

কেৱল অসমৰ ভিতৰতেই নহয়; উত্তৰ ভাৰতীয় ধৰ্মীয় অনুষ্ঠানবোৰৰ ভিতৰত আধ্যাত্মিক ভাৱ প্ৰকাশ আৰু মানৱতাবাদক গুৰুত্ব দিয়া একমাত্ৰ ধৰ্মীয় অনুষ্ঠানৰূপে সত্ৰসমূহে বিশেষভাৱে জনাজাত । ' সত্ৰ' বুলিলে ধৰ্মকেন্দ্ৰিক অনুষ্ঠান হ' লেও ইয়াত নৱধা ভক্তিৰে ধৰ্ম প্ৰসংগ কৰা আৰু জীৱনক তৰণৰ পথ দেখুওৱাৰ লগতে সাহিত্য, সংগীত, নৃত্য, নাটক, স্থাপত্য, ভাস্কৰ্য কলাসমূহৰ চৰ্চা আৰু অনুশীলন কৰা হয় । আনহাতে নামঘৰ, মণিকূট, গুৰুগৃহ, ভকতৰ হাটী, ভঁৰাল ঘৰ, অতিথিশালা, কৰাপাট আদি নিমাৰ্ণেৰে সত্ৰৰ আকাৰ বৰ্ধন কৰা হ' ল । এনে পূৰ্ণ পৰ্যায়ৰ সত্ৰ সৃষ্টিত দামোদৰদেৱৰ আৰু মাধৱদেৱে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিলে । দামোদৰদেৱৰ দ্বাৰা স্থাপিত পাটবাউসীতে প্ৰথমে পূৰ্ণ পৰ্যায়ৰ সত্ৰৰ আৰ্হি পোৱা যায় । মাধৱদেৱে সুন্দৰীদিয়াত সেই আৰ্দশৰে সত্ৰ নিৰ্মাণ কৰিলে । উজনি অসমত মাধৱদেৱৰ আজ্ঞা অনুসৰি শিষ্যসকলে সত্ৰানুষ্ঠানৰ অধিক বিস্তৃতি ঘটায় । ইয়াৰ ভিতৰত গোপাল আতা, শ্ৰীৰাম আতা, পৰ্হিয়া মাধৱ, গমাৰ গোৱিন্দ, পদ্ম আতা আদিয়েই প্ৰধান । এনেদৰে উত্তৰোত্তৰভাৱে উজনি, নামনি, মধ্য অসম জুৰি সত্ৰানুষ্ঠান স্থাপন হোৱাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ ব্যাপক প্ৰচাৰ ঘটে ।

২. সত্ৰৰ গঠন প্ৰণালী আৰু সংহতি অনুসৰি বিভাজন, বিস্তাৰ

আধ্যাত্মিক, নৈতিক আৰু সামাজিক মংগল সাধনৰ লক্ষ্যৰে

প্ৰতিষ্ঠা কৰা সত্ৰ অনুষ্ঠান নিৰ্মাণৰো নিজা আৰ্হি এটি আছে । এই আৰ্হিত অৰ্ন্তভুক্ত হোৱা প্ৰধান অংগকেইটি হ'ল – ১/নামঘৰ আৰু মণিকূট ২/গুৰুগৃহ ৩/ভঁৰাল ৪/বৈষ্ণৱ-গৃহ চাৰিহাটী ৫/কৰাপাট ৬/ অতিথিশালা ৭/নাট্যশালা ৮/ভোগঘৰ।

নামঘৰ আৰু মণিকূট : সত্ৰৰ কেন্দ্ৰবিন্দু হ'ল নামঘৰ আৰু মণিকূট । নৱধা ভক্তিৰ যোগেদি য'ত ভগৱৎ আৰাধনা কৰা হয় মূল অৰ্থত সেয়ে হ'ল নামঘৰ আৰু মণিকূট । এই নামঘৰ আৰু মণিকূট সত্ৰৰ মধ্যৱৰ্ত্তী স্থানত স্থাপন কৰা হয় । পূবা-পশ্চিমাকৈ নামঘৰ-মণিকূট বহুওৱাৰ নিয়ম আছে । মণিকূটক কমলাবাৰী সত্ৰত ভাঁজঘৰ আখ্যা দিয়া হয় ।'মণিকূট' শব্দৰ অৰ্থ হ'ল ৰত্ন ৰখা ঘৰ । নামঘৰ, মণিকূটৰ বাহিৰেও আৰু এটি ভাগ তাত সংলগ্ন হৈ থাকে । সেই ভাগ নামঘৰৰ সন্মুখত অৱস্থিত হৈ থাকে । তদুপৰি ৰং-বিৰঙৰ কাৰুকাৰ্য কৰি থোৱাৰ বাবে তাক ৰাঙলী চ ৰা বুলি কোৱা হয় । নামঘৰৰ মাজভাগত চৈধ্য প্ৰসংগৰ বাবে নিৰ্দ্দিষ্ট স্থান থাকে । নামঘৰৰ মূল খুঁটাৰ কাষত গুৰুৰ আসন থাকে । অৱশ্যে সংহতি আৰু সত্ৰ ভেদে এই স্থানবিলাকৰ ভিন্নতা আছে । কমলাবাৰী, ভোগপুৰ আদি নিকা সংহিতৰ সত্ৰসমূহত দক্ষিণফালে স্থান নিৰ্দ্দিষ্ট কৰা থাকে ।

গুৰুগৃহ : সত্ৰীয়া জীৱনৰ পথ প্ৰৰ্দশক হ'ল গুৰু । এই দায়িত্ব পালন কৰাৰ উপৰিও সত্ৰৰ সমস্ত কাৰ্যৰ পৰিচালনা আৰু সত্ৰ সংৰক্ষণৰ ভাৰ গুৰুৰ ওপৰত থাকে । সত্ৰৰ সৰ্ম্পূণ

দায়িত্ব থকা বাবে তেওঁ সত্ৰাধিকাৰ বোলা হয় । সত্ৰাধিকাৰৰ বাসভৱন নামঘৰৰ মণিকূটৰ কাষতে থাকে । কোনো কোনো সত্ৰত এই নিয়মৰ ব্যতিক্ৰম আছে । বহু সত্ৰত হাটীৰ লগতে সত্ৰাধিকাৰৰ বাসভৱন থাকে ।

ভঁৰাল : সত্ৰৰ যাৱতীয় সম্পদ আৰু ভৰণ-পোষণৰ সামগ্ৰীসমূহ ৰখা স্থানেই হ'ল ভঁৰাল । এই ভঁৰাল-গৃহ সত্ৰৰ মধ্যস্থানত নামঘৰৰ আশে-পাশে থাকে । কোনো সত্ৰত এই ভঁৰালৰ ভাগ দুটা । চাউলকে মুখ্য কৰি ৰখা দ্ৰব্যৰ স্থানক ধন ভঁৰাল বোলা হয় । চাৰিওপিনে চাৰি দিশত যত বৈষ্ণৱসকলে একোটা বহা পৰিচালনা কৰি সমূহীয়াভাৱে বসবাস কৰে সেয়ে বৈষ্ণৱৰ বাসস্থান 'হাটী' । পূব, পশ্চিম, উত্তৰ, দক্ষিণ চাৰিও দিশতে চাৰিটা হাটী থাকে বাবে বৈষ্ণৱৰ বাসস্থানসমূহে ক্ৰমে পূব হাটী, পশ্চিম হাটী, উত্তৰ হাটী আৰু দক্ষিণ হাটী নামেৰে চিহ্নিত হয় । পূৰ্বৰ হাটী ঘৰৰ আৰ্হি আছিল এখন চালিৰে দীঘল ঘৰ । কিন্তু এতিয়া হাটী ঘৰৰ কিছু পৰিৰ্ৱতন লক্ষ্য কৰা যায় । অৱশ্যে দক্ষিণপাট, কমলাবাৰী আদি সত্ৰত পূৰ্বৰ হাটী ঘৰৰ আৰ্হি এতিয়াও আছে । সত্ৰত থকা ঘৰসমূহক বহা বুলিও কোৱা হয় ।

কৰাপাট : সত্ৰৰ সন্মুখত সত্ৰলৈ সোমোৱা পথৰ আৰম্ভণিতে মুখ্য তোৰণ থাকে যাক কৰাপাট বুলি কোৱা হয় । কৰাপাট দুখন - বহিঃ আৰু অন্তঃ কৰাপাট । সত্ৰলৈ প্ৰৱেশ কৰা

কৰাপাটখন বহিঃ আৰু পিছৰ কৰাপাটখন অন্তঃ তাতে ভক্তবৃন্দই যান-বাহন, পাদুকা ত্যাগ কৰি সত্ৰলৈ প্ৰৱেশ কৰে । কৰাপাটৰ প্ৰতীক সাধাৰণতে হাতী, সিংহ, ম ৰা আদি ।

অতিথিশালা : বিভিন্ন সময়ত বিভিন্ন কাৰণত সত্ৰত উপস্থিত হোৱা শিষ্য-প্ৰশিষ্যক শুশ্ৰূষা কৰিবলৈ অতিথিশালাৰ ব্যৱস্থা আছে । অৱশ্যে বহু সত্ৰত বহাসমূহতো অতিথি সৎকাৰ কৰা হয় ।

নাট্যশালা : সত্ৰত উৎসৱৰ উপলক্ষ্য লৈ পৰিৱেশন কৰা অংকীয়া ভাওনাৰ আখৰা কৰাৰ বাবে এক সুকীয়া স্থান থাকে তাকে নাট্যশালা বুলি কোৱা হয় ।

ভোগঘৰ : মূল মহাপ্ৰভুৰ যি সিদ্ধ ভোগ উছৰ্গাৰ অৰ্থে প্ৰস্তুত কৰা হয়, সেই স্থানক ভোগঘৰ বুলি কোৱা হয় । তাৰোপৰি সত্ৰৰ লগত জড়িত অন্য এক অংশ হৈছে থানঘৰ । সত্ৰাধিকাৰসকলৰ স্মৃতিৰ বাবে এই ঘৰ নিমাৰ্ণ কৰা হয় । সংহতি শব্দৰ অৰ্থ সংযোগ বা সন্মিলন । বৈষ্ণৱ সত্ৰসমূহৰ মাজত শংকৰদেৱৰ পৰৱৰ্তী কালত চাৰিটা সংহতি হোৱা বুলি কোৱা হয় । এই সংহতি নিজৰ নিজৰ পৃথকতাৰ ভিত্তিত হোৱা একোটা গোটৰ সমাৰ্থক । এই সংহতিসমূহ ক্ৰমে ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, কাল সংহতি, আৰু নিকা সংহতি ।

ব্ৰহ্ম সংহতি : ব্ৰহ্ম সংহতিত ব্ৰাহ্মণ্য কৰ্মৰ নিয়ম-নীতিৰ প্ৰাধান্য থাকে । পাটবাউসীত দামোদৰদেৱে প্ৰতিষ্ঠা কৰা সত্ৰখনিয়েই

ইয়াৰ প্ৰথম আৰ্হি । তাৰ পৰাই বিভিন্ন ঠাইত ধৰ্ম প্ৰচাৰ তথা সত্ৰ প্ৰতিষ্ঠাৰ বাবে শিষ্যসকলক নিয়োগ কৰিছিল । সেই শিষ্যসকল হ'ল সন্তদেৱ, ভগৱানদেৱ, ভট্টদেৱ আদি । উজনি অসম আৰু নামনি অসমত ব্ৰহ্ম সংহতিৰ সত্ৰসমূহৰ বিস্তৃতি ঘটিল । তাৰে ভিতৰত মাজুলী, কামৰূপ, নগাঁৱ ইত্যাদি ঠাই প্ৰধান । বৰ্তমান দুলিয়াজান আৰু মাৰ্ঘেৰিটা অঞ্চলত এই সংহতিৰ সত্ৰ স্থাপন কৰা হৈছে ।

পুৰুষ সংহতি : ব্ৰহ্মাৰ প্ৰভূত শক্তি স্বীকাৰ কৰা আন এটি সম্প্ৰদায় হ'ল পুৰুষ সংহতি । ব্ৰহ্মাৰ আন এক নাম পুৰূষ । তেনে নামৰ পৰাই পুৰুষ সংহতি নামকৰণ হ'ব পাৰে । এই সংহতিত ব্ৰহ্মাৰ প্ৰাধান্যৰ লগত নামৰ প্ৰতিও বিশেষ আস্থা থাকে । এই সংহতিৰ গুৰি ধৰোঁতা ক্ৰমে পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰ । পুৰূষ সংহতিৰ মূল চাৰি সত্ৰ হ'ল - নৰোৱা, কোৱামৰা, দীঘলী আৰু চামগুৰি । তাৰোপৰি বড়া হাতীমৰা, কুছিমৰা, চেপেটিমৰা, ঘঁৰিয়ালে খোৱা, বড়া বিষ্ণুপুৰ, ঘিলাজাৰী আৰু কোৱামৰাৰ শাখা শলগুৰি, শুকদল আদি সত্ৰইয়ো এই সংহতিৰ বিস্তৃতি ঘটাইছে ।

কাল সংহতি : গুৰুৰ প্ৰাধান্যৰ ওপৰত সৃষ্টি হোৱা সংহতিক কাল সংহতি বোলা হয় । গুৰু ব্ৰহ্ম অভিন্ন; গুৰু ব্ৰহ্ম প্ৰাপ্তিৰ মূল মাধম্য । এই সংহতিৰ মূল প্ৰৱৰ্তক ভৱানীপুৰীয়া গোপাল আতা । কাল সংহতিৰ সত্ৰসমূহৰ এই কালজাৰেই মূল

কেন্দ্ৰস্থান হিচাপে পৰিগণিত হয় । এই শাখাৰ দুই সত্ৰ হ' ল দিহিং আৰু মায়ামৰা । কাল সংহতিৰ মুখ্য ১২ জন ধৰ্মাচাৰ্য তাৰে ৬ জন অব্ৰাহ্মণ আৰু ৬ জন ব্ৰাহ্মণ । এই সংহতিৰ সত্ৰসমূহ হ' ল দৌকাচাপৰি, আমগুৰি, কলকটা, ধোপাবৰ, হেমাৰবৰি । ইয়াৰ উপৰিও অনেক সত্ৰৰ বিস্তৃতি ঘটে ।

নিকা সংহতি : নিকা শব্দৰ অৰ্থ নিৰ্মল, পৰিস্কাৰ, পৱিত্ৰ। পৱিত্ৰ আৰু নৈষ্ঠিকভাৱে নাম আৰু ভকতক আশ্ৰয় কৰি ব্ৰহ্মতত্ব কাষ চপা নিকা সংহতিৰ ঘাই লক্ষ্য । এই সংহতিৰ মুখ্য পৃষ্ঠপোষক মাধৱদেৱ । মাধৱদেৱৰ আজ্ঞা অনুসৰি সত্ৰ তথা ধৰ্ম প্ৰচাৰ কৰা ব্যক্তিকেইগৰাকী হ' ল মথুৰাদাসবুঢ়া আতা, কেশৱচৰণ আতা, পদ্ম আতা, গোৱিন্দ পৰ্হিয়া । এই সংহতিৰ মূল সত্ৰকেইখন ক্ৰমে বৰপেটা সত্ৰ, ভোগপুৰ সত্ৰ আৰু কমলাবাৰী সত্ৰ । এই কমলাবাৰী সত্ৰৰ বৰ্তমান তিনিটা ভাগ পোৱা যায় – মূল কমলাবাৰী সত্ৰ, উত্তৰ কমলাবাৰী আৰু নতুন কমলাবাৰী । মূল কমলাবাৰী বৰ্তমান তিতাবৰত আৰু বাকী দুখন মাজুলীতে আছে । নিকা সংহতিৰ অন্য এখন সত্ৰ জৰাবাৰী সত্ৰ ।

এই চাৰি সংহতিৰ যোগেদিয়েই অসমত বিভিন্ন সত্ৰ প্ৰতিৰ্ষ্ঠিত হয় আৰু ইয়াৰ প্ৰসাৰ ঘটে । সংহতি অনুযায়ী সত্ৰসমূহৰ পালনীয় উৎসৱৰ ৰীতি- নীতিৰ পাৰ্থক্য থাকিলেও ভক্তি ধৰ্ম প্ৰচাৰৰ লক্ষ্য একেই ।

## ৩. সত্ৰীয়া জীৱন ধাৰণ

সাধাৰণতে সত্ৰৰ লক্ষ্য আৰু উদ্দেশ্য এক হ'লেও জীৱন ধাৰণৰ প্ৰণালী অনুসৰি সত্ৰবিলাকৰ মাজত কেইবা প্ৰকাৰৰ ভাগ দেখা যায় । তাৰ ভিতৰত বিশেষভাৱে তিনিটা ভাগ হ'ল – ১. উদাস সত্ৰ ২. মিশ্ৰ পদ্ধতি (অৰ্ধ-উদাস) সত্ৰ আৰু ৩. গৃহস্থী সত্ৰ ।

উদাস সত্ৰত সত্ৰৰ সত্ৰাধিকাৰ, ডেকা প্ৰমুখ্যেসমূহ বৈষ্ণৱে উদাসীন জীৱনধাৰা পালন কৰে । সময়ৰ পৰিৰ্ব্ৰতনত ৰীতি-নীতিৰ কিছু সাল-সলনি ঘটিলেও মাজুলীত থকা আউনীআটী, দক্ষিণপাট, নতুন কমলাবাৰী, উত্তৰ কমলাবাৰী, ভোগপুৰৰ লগতে তিতাবৰৰ কমলাবাৰী আৰু জৰাবাৰী সত্ৰ উদাস ৰীতিৰে সত্ৰ ।

অৰ্ধগৃহী অৰ্থাৎ মিশ্ৰ পদ্ধতিৰ সত্ৰবিলাকৰ দুটা ভাগ থাকে ।সত্ৰৰ মূল সীমাৰ ভিতৰতে উদাসীনসকলৰ আৰু সত্ৰৰ গাত লাগি থকা বাহিৰ অংশত গৃহস্থীসকলৰ বাসস্থানৰ ব্যৱস্থা থাকে । উদাসীনসকলে উদাস ৰীতি আৰু গৃহস্থীসকলে গাৰ্হস্থ্য ৰীতি পালন কৰে ।

সত্ৰসমূহৰ আৰু এটি বিশেষ ব্যৱস্থা পোৱা যায় । সেইটো হৈছে, সত্ৰৰ মূল নামাকৰণৰে ওচৰা-উচৰি দুখন পৃথক ঠাইত উদাস আৰু গৃহী দুখন থাকে । এনে সত্ৰবিলাকৰ বিশেষকৈ উদাস সত্ৰই গৃহী সত্ৰখনৰ ওপৰত নিৰ্ভৰ কৰে । এনে সত্ৰত সত্ৰস্থসকলে

সম্পৰ্ণ সাংসাৰিক জীৱন অতিবাহিত কৰি শিষ্যৰ মাজত শৰণ-ভজন প্ৰদানেৰে ধৰ্মতত্ব প্ৰচাৰ কৰে সেইবিলাক সত্ৰক গৃহস্থী সত্ৰ বোলা হয় ।

সত্ৰসমূহৰ গঠনৰ তিনিটা মুখ্য স্তৰ থাকে - ১. মূল সত্ৰ ২. আজ্ঞাপৰ সত্ৰ আৰু ৩. শাখা সত্ৰ । কোনোবা এগৰাকী মহাপুৰুষৰ পোনপটীয়া আজ্ঞাৰে প্ৰতিষ্ঠা হোৱা সত্ৰক মূলসত্ৰ, সেই সত্ৰৰ গুৰুৰ আজ্ঞালৈ প্ৰসিদ্ধ শিষ্য বা ভক্তবৃন্দই আন এঠাইত সত্ৰ প্ৰতিষ্ঠা কৰিলে সেই সত্ৰক আজ্ঞাপৰ সত্ৰ আৰু মূল সত্ৰৰ বিশেষ প্ৰতীক লৈ সত্ৰীয়া আৰ্হি ৰাখি আন এঠাইত সত্ৰ প্ৰতিষ্ঠা কৰিলে সেই সত্ৰক 'শাখা সত্ৰ' বুলি কোৱা হয় । একোখন সত্ৰত সত্ৰাধিকাৰ, ডেকা অধিকাৰ প্ৰমুখ্যে বৈষ্ণৱমণ্ডলীৰ সহ-অৱস্থানতহে সত্ৰৰ কাৰ্য সম্পাদিত হ'ব পাৰে আৰু সত্ৰৰ নিৰ্দিষ্ট স্বৰূপ নিৰ্ণীত হয় । সত্ৰৰ সত্ৰাধিকাৰৰ হাতত সত্ৰ পৰিচালনাৰ মূল দায়িত্ব থাকে । সত্ৰাধিকাৰ এগৰাকীৰ বাছনি বিবিধ প্ৰকাৰ হোৱাৰ ব্যৱস্থা আছে । তাৰ ভিতৰত ১. গুৰু পৰম্পৰা, ২. জ্যেষ্ঠনুক্ৰমিক, ৩. পুত্ৰানুক্ৰমিক আৰু ৪. গণতান্ত্ৰিক অৰ্থাৎ নিৰ্বাচন পদ্ধতিৰে বাছনি হ'ব পাৰে । তেনেদৰে সত্ৰৰ ভকতৰো কিছুমান বিষয়বাব থাকে- ১. সাত মান ভগীয়া বা বৰ মানৱোই ভকত, ২. সৰু মানোৱাই ভকত, ৩. বৰমূৰীয়া বা ভাল ভকত, ৪. সাধাৰণ ভকত, ৫. বনুৱা ভকত, ৬. বাজ ভকত, ৭. যোগনীয়াৰ ভকত, ৮. পাইকান ভকত । এই বিষয়বাবসমূহ প্ৰতিখন সত্ৰৰে বেলেগ বেলেগ

হয় ।

সত্ৰৰ বিষয়সমূহ : নামঘৰ আৰু মণিকূটত পূজা-উপাসনা আৰু নাম-প্ৰসংগৰ সকলোৰে উমৈহতীয়া অংশ থাকিলেও নিৰ্দিষ্ট কৰ্মৰ বাবে বিষয়ববীয়া নিয়োগ কৰা থাকে । কৰ্ম অনুপাতে কৰ্মক্ষেত্ৰ আৰু কৰ্মীৰ সুকীয়া পৰিচয় আছে । তাৰ ভিতৰত মুখ্যত: নামঘৰ, মণিকূট, ভঁৰালঘৰ, সত্ৰাধিকাৰ, ডেকাধিকাৰৰ বাসভৱনত আৰু স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ

ৰক্ষণাৱেক্ষণক লৈ বিষয়বাব থাকে । তদুপৰি নামঘৰত চৈধ্য প্ৰসংগৰ ব্যৱস্থা থাকে সেই চৈধ্য প্ৰসংগ কৰা ব্যক্তিসকলৰ কিছুমান বিষয়বাব থাকে । সেইসকলৰ হ' ল- বৰ নামলগোৱা, বৰ পাঠক, বৰ গায়ন, বৰ বায়ন, বৰ ওজা, বৰ ভাগৱতী আদি । প্ৰত্যেক সত্ৰৰ ক্ষেত্ৰত এই বিষয়বাবসমূহ বেলেগ হয় ।

শৰণ, ভজন, দান কাৰ্য: দৈনন্দিন জীৱনত সত্ৰৰ ফালৰ পৰা শৰণ ভজন আদিৰে ভক্তিতত্ব বা পাৰমাৰ্থিক শিক্ষা দিয়াৰ যি ব্যৱস্থা আছে, সত্ৰৰ অধিকাৰে তাত মুখ্য ভূমিকা পালন কৰে । কোনো কোনো সত্ৰত সত্ৰৰ বৰপূজাৰী, ভাগৱতী বা সত্ৰৰ মুখ্য বিষয়াবাব পোৱা ভকতসকলেও শৰণ-ভজন আদি দিব পাৰে । কমলাবাৰী মূলৰ সত্ৰসমূহত যি চাৰিজন বুঢ়াভকত থাকে তেওঁলোকে এই কাৰ্য সম্পাদনা কৰে । তদুপৰি আউনীআটী সত্ৰ, দক্ষিণপাট, গড়মূৰ আদি সত্ৰত এই কাৰ্য গোঁসাইয়ে নকৰে । ভক্তিতত্ব শিক্ষাত

শৰণ-ভজন, মালা-মন্ত্ৰ আৰু দীক্ষা মূল ভাগ । দীক্ষাদান কাৰ্য অৱশ্যে সকলো সত্ৰত নাই । এই কাৰ্যও সত্ৰীয়া জীৱনৰ এক অপৰিহাৰ্য অংগ ।

সত্ৰীয়া জীৱন ধাৰাৰ অন্য এক উল্লেখযোগ্য বিষয় হ'ল সাজ-পোছাক । সাধাৰণতে সত্ৰৰ সাজ-পোছাক বুলি ক'লে কপাহী ধূতি, কপাহী চোলা, চাদৰ, খনীয়া, চেলেং আদি ব্যৱহাৰ কৰে । উৎসৱ-পৰ্বত পাটৰ বা মুগাৰ ধূতি, চোলা, চাদৰৰ ব্যৱহাৰ হয় । ৰজাৰ আৰ্হিৰ সত্ৰত সত্ৰাধিকাৰৰ ক্ষেত্ৰত সাজ-পোছাক আৰু বহা আসন, ব্যৱহাৰিক সামগ্ৰী আদি ৰাজকীয় সম্পদৰ ব্যৱহাৰ আছে । উৎসৱ-পৰ্ব আৰু ৰাইজৰ বাহৰত ফুৰিবলৈ যোৱাৰ ক্ষেত্ৰত সত্ৰাধিকাৰে পাগমৰা আৰু খনীয়া বা বৰ কাপোৰ ধূতি লোৱা অপৰিহাৰ্য । সত্ৰত প্ৰসংগৰ সময়ত চুৰীয়া গাঁঠি দি পিন্ধা নিষেধ । তাৰোপৰি ভকতসকল সাধাৰণ ৰূপ হ'ব লাগেঃ থোৰ মৰা চুৰীয়া, গাত চেলেং, কপালত ফোঁট, মূৰত চুলিৰ খোপা থাকে ।

## ৪. সত্ৰত পালিত নিত্য কৰ্মসমূহ

সত্ৰত পালিত নিত্য কৰ্মসমূহ বুলি ক'লে ব্যক্তিগত জীৱনৰ কৰ্তব্য আৰু সামূহিক স্থানৰ কৰ্তব্যৰ কথা পোৱা যায় । সেইহে প্ৰথমে ব্যক্তিগত সংস্কাৰ আৰু কৰ্তব্যৰ কথা আলোচনা কৰা হ'ব -

ব্যক্তিগত কৰ্তব্য আৰু সংস্কাৰ : সত্ৰস্থসকলে দৈনন্দিন

জীৱনৰ কৰ্মসমূহ চাৰিটা অৱস্থাৰ মাজেৰে পালন হয় । এই চাৰিটা অৱস্থা হ' ল ধূতি, বিশুদ্ধ, বাহী আৰু চুৱা । সত্ৰভেদে এই নামকেইটা ব্যৱহাৰৰ কিছু পাৰ্থক্য আছে । উদাহৰণস্বৰূপে, নিকা সংহতিৰ সত্ৰসমূহে ধূতি শব্দৰ ঠাইত ' সজ' আৰু বিশুদ্ধ শব্দৰ ঠাইত ' ফুৰা' শব্দ ব্যৱহাৰ কৰে । এই চাৰি অৱস্থাৰ লগত সংগতি থকা কৰ্মসমূহ তলত উল্লেখ কৰা হ' ল -

১) বাহী অৱস্থাৰ কৰ্ম : সূৰ্য উদয়ৰ লগে লগে ঢাৰি-পাটী ত্যাগ কৰাটো সত্ৰস্থসকলৰ ধৰা-বন্ধা নীতি যদিও ঋতু অনুযায়ী তাৰ কিছু সাল-সলনি ঘটে । বাহী অৱস্থাৰ কৰ্ম- ঠাই সৰা-মচা, বাচন-বৰ্তন ধোৱা, গৰু-গাই পৰিচৰ্যা, দাড়ি-চুলি, নখ কটা আদি ।

২) চুৱা অৱস্থাৰ কৰ্ম : এই অৱস্থাত শৌচাচাৰ কৰা, দন্ত মাৰ্জন, তৈল মৰ্দন আৰু স্নান কৰা আদি প্ৰধান কাৰ্য ।

৩) ধূতি অৱস্থাৰ কৰ্ম: এই অৱস্থাত পুৱা স্নান কৰি উঠি ধূতি বস্ত্ৰ পৰিধান কৰি তিয়নি চেপি হাত ভৰি ধোৱা প্ৰথম কৰ্তব্য । ইয়াৰ পিছত মূৰ আচুঁৰি আছুতীয়াকৈ ৰাখি নিজৰ উপাসনাস্থলীত প্ৰৱেশ কৰিব লাগে । এই সময়ত নামঘৰলৈ গৈ নাম, বৈষ্ণৱত সেৱা কৰি শ্ৰৱণ, কীৰ্ত্তনত ভাগ

লয় । এইখিনি সময়ত কমলাবাৰী থূলৰ সত্ৰকেইখনত সুকীয়াকৈ থকা লয় । এইখিনি সময়ত কমলাবাৰী থূলৰ সত্ৰকেইখনত

সুকীয়াকৈ থকা পদশিলা ঘৰত সেৱা জনোৱা নিয়ম ।

৪) বিশুদ্ধ অৱস্থাৰ কৰ্ম : সাধাৰণতে দিনৰ চাউল সিজোৱা খোৱাৰ পিছৰ পৰা সন্ধিয়া গা-ধোৱা সময়লৈকে এই সময়ছোৱাত বিশুদ্ধ অৱস্থা বুলি কোৱা হয় । ভোজনৰ অন্তত এই অৱস্থাত যুৱকসকলে শিক্ষা গ্ৰহণৰ বাবে নিৰ্দিষ্ট শিক্ষা ক্ষেত্ৰলৈ যায় । যিসকল ভকত এইসময়ত সত্ৰত থাকে, সেইসকলে ধৰ্মীয় গ্ৰন্থ অধ্যয়ন আৰু শ্ৰৱণ কাৰ্যতো ব্যস্ত থাকে । এই অৱস্থাত সত্ৰৰ বাহিৰলৈ গৈ সকলোৱে ফুৰা-চকা কৰিব পাৰে । সেই বাবে কমলাবাৰী সত্ৰত এই অৱস্থাক ' ফুৰা' বুলি কোৱা হয় ।

বিয়লি প্ৰসংগ আৰম্ভ হোৱাৰ লগে লগে বিশুদ্ধ অৱস্থাৰ সামৰণি পৰে যদিও ৰাতি সময়ৰ বাবে পুনৰ চুৱা, ধূতি, বিশুদ্ধ, বাহী অৱস্থা আৰম্ভ হয় । দৈনন্দিন জীৱনত ভকত বৈষ্ণৱসকলে হস্তশিল্পৰ চৰ্চা কৰে । ইয়াৰ ভিতৰত কাঠ, বাঁহ, বেতেৰ নিৰ্মাণ কৰা নাও, জপাকৰণী, সিংহাসন, গছা, খুন্দনা, চালপীৰা, তামুলী পীৰা, বিচনী আদি তৈয়াৰ কৰা কৰ্মসমূহ উল্লেখযোগ্য । তাৰোপৰি ভাওনাৰ সা-সজুঁলি, পোছাক, ৰং আদিও সত্ৰতে বৈষ্ণৱসকলে নিজে তৈয়াৰ কৰে । দৈনন্দিন জীৱনত সত্ৰৰ সৰ্বত্ৰ স্থানতে পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পৰিপাট্য ৰক্ষা উল্লেখযোগ্য দিশ ।

সামূহিক স্থানত নিত্য কৰ্ম আৰু সংস্কাৰ : সত্ৰৰ সামূহিক স্থান বুলি ক' লে নামঘৰ, মণিকূট, দুই ভঁৰাল, পদশিলা ঘৰ,

সত্ৰাধিকাৰ,

ডেকাধিকাৰৰ বাসভৱন আৰু প্ৰত্যেক হাটীৰ আখৰা ঘৰ আদি স্থান বুজায় ।

১) নামঘৰ-মণিকূটৰ কৰ্ম : নামঘৰ মণিকূট সংলগ্ন স্থান যদিও এই দুই ঠাইতে পুৱাৰ পৰা গধূলিলৈ নিৰ্দিষ্ট কৰ্মীৰ সহযোগত ভাগে ভাগে কৰ্ম সম্পন্ন হয় । পুৱাতে নামঘৰৰ দুৱাৰ খুলি ঠাই মচা আৰু পিৰালি মচাই নামঘৰ, মণিকূট আৰু নামঘৰৰ পিৰালি সৰা-মচা কৰে । ঠাই মচাৰ পিছতে মণিকূটৰ পূজাৰী, দেউৰী, আঠপৰীয়া, মলিয়া, ধূপীয়া আদি মণিকূটলৈ আহে । দেউৰীৰ কাম ভাগে ভাগে থাকে । এনেদৰে মণিকূটৰ আৰু নামঘৰৰ কাৰ্য সম্পন্ন হয় । এইদৰে নামঘৰ-মণিকূটত পূজা-সেৱা আৰু নাম কীৰ্তনৰ বাবে প্ৰাথমিক প্ৰস্তুতি হৈ উঠাৰ লগে লগে পুৱাৰ প্ৰসঙ্গৰ জাননী কোনো সত্ৰত কাঁহ ধ্বনিৰে আৰু কোনো সত্ৰত ডবাৰে দিয়া হয় । দক্ষিণপাট, আউনীআটী, গড়মূৰ আদি সত্ৰত বৰ কাঁহ মাৰে । প্ৰায়বিলাক মূল সত্ৰতে কমেও তিনিখন আসনত বিগ্ৰহ থাকে । সত্ৰবিলাকত আৰাধনা পদ্ধতিও তিনি প্ৰকাৰৰ - বৈদিক, তান্ত্ৰিক আৰু মিশ্ৰ । নামৰ সামৰণিতে কোনো সত্ৰত প্ৰসাদ বিতৰণ কৰে যদিও ভাগৱত ব্যাখ্যা, পদপাঠ অপৰিহাৰ্যভাৱে থকা সত্ৰসমূহত, সেই দুই কাৰ্যৰ অন্ততহে প্ৰসাদ বিতৰণ হয় । সাধাৰণতে গায়ন বায়নৰ অন্ততহে পুৱা প্ৰসঙ্গৰ সামৰণি পৰে ।

২) দুই ভঁৰালৰ কৰ্ম : চাউল ভঁৰাল আৰু ধন ভঁৰালত পুৱা প্ৰসঙ্গৰ পিছত দিনৰ ভাগত ভঁৰালী, ভেটি ধৰা আহি ভঁৰালৰ সমুদায় কৰ্ম কৰে । ভঁৰালৰ মূল স্থানত বন্তি প্ৰজলন কৰি কৰ্ম আৰম্ভ কৰে । এই কৰ্ম সমূহৰ ভিতৰত দুই ভঁৰালীয়ে ভাগে ভাগে দৈনন্দিন সত্ৰলৈ অহা সামগ্ৰী সামৰে আৰু নামঘৰ, মণিকূট, গোসাঁই ঘৰ আদিলৈ নিয়মিত যোগান ধৰে । মলা, চৰু, গাখীৰ আদি যোগান ধৰা সেই বিভাগৰ পাইকৰ কাম । মাহ-চাউল চালি-জাৰি ভঁৰালত থোৱা কাম চমুৱাৰ । নিতৌ চমুৱাই মাহ-চাউল চালি-জাৰি দিব লাগে । উভয় ভঁৰালৰ ভঁৰাল ৰখীয়াই বিশেষকৈ ৰাতি ভঁৰালত থাকি ভঁৰাল ৰখাৰ নিয়ম ।

৩) সত্ৰাধিকাৰৰ বাসভৱনৰ কৰ্ম : সত্ৰাধিকাৰ এগৰাকীক সমুদায় কৰ্মত সহায় কৰি দিবৰ বাবে বিভিন্ন কৰ্মচাৰী নিয়োগ কৰা থাকে । যেনে খুটিকটীয়া, নিশা ফুৰা আদি । খুটিকটীয়াজনে পাগপত্ৰ কাৰ্যৰ বাবে প্ৰতিদিনে খুটি যোগান ধৰিব লাগে । নিশাফুৰা দুজন থাকে, তেওঁ লোকে ভাগ অনুসৰি সত্ৰাধিকাৰৰ বাসভৱনত খৰিৰ যোগান ধৰিব লাগে । তদুপৰি বৈষ্ণৱসকলৰ খোৱা-লোৱা বুজ লৈ সত্ৰাধিকাৰক জনাব লাগে । তেওঁলোকৰ কোনোধৰণৰ সমস্যা অথবা অভাৱ হ'লে সত্ৰাধিকাৰে সমস্যা সমাধান কৰি অভাৱ পূৰণ কৰে । সমূহীয়া কৰ্মৰ ভিতৰত দৈনন্দিন সত্ৰৰ কেইটামান বিশেষ কৰ্তব্য থাকে । শৰণ-ভজন প্ৰদান, ব্যৱস্থাপত্ৰ প্ৰদান আৰু বিচাৰ কৰা উল্লেখযোগ্য । শৰণ, ভজন, মালামন্ত্ৰ আৰু দীক্ষা কাৰ্য ধৰ্মীয়

কৰ্ম, সামাজিক শৃংখলাৰ বাবে দয়া বিধিসন্মত ব্যৱস্থা আৰু বিচাৰ ব্যৱস্থা সামাজিক ধৰ্ম । এই কৰ্মসমূহ প্ৰধানত : সত্ৰৰ সত্ৰাধিকাৰে সম্পন্ন কৰে । পুৱা প্ৰাত : কৃত্য কৰি নিজৰ নিদিষ্ট পূজা সেৱাৰ অন্তত নামঘৰৰ

নাম-কীৰ্তনত অংশ গ্ৰহণ কৰা ভাগৱত পাঠ কৰা সত্ৰাধিকাৰগৰাকীৰ বিশেষ কৰ্তব্য । শৰণ-ভজন, মালামন্ত্ৰ আদি কৰ্মৰ উপৰি নতুন প্ৰসঙ্গীয়া আৰু সত্ৰীয়া যিকোনো বিষয়বাবৰ নিৰ্মালি পুৱা প্ৰসঙ্গৰ সময়ত পূজা গৃহত দিয়া নিয়ম, নাম-কীৰ্তন নামঘৰৰ অপৰিহাৰ্য বিষয় । সত্ৰৰ নামঘৰত দ্বাদশ বা চৈধ্য প্ৰসঙ্গ অব্যাহত থকা মূল নীতি । মণিকূট গৃহত অৰ্চন, বন্দন আৰু পাদসেৱন কাৰ্যৰ ধাৰাবাহিকতা ৰক্ষা কৰা হয় । প্ৰসঙ্গ বুলি ক'লে মূলত : নাম কীৰ্তন, ভাগৱত ব্যাখ্যা, পদ পাঠ, গায়ন-বায়নৰ খোল-তাল আৰু ওজা প্ৰসঙ্গৰ কথা বুজায় । মূলত : এই পাঠ প্ৰসঙ্গৰ বিবিধ ভাগ অনুসৰি পুৱা, বিয়লি আৰু গধূলি পুনৰাবৃত্তি হৈ চৈধ্য প্ৰসঙ্গ বা দ্বাদশ প্ৰসঙ্গৰ লেখত চিহ্নিত হৈ পৰে । এই প্ৰসঙ্গসমূহৰ ক্ৰম আছে ।

উজনি অসমৰ সত্ৰসমূহত ভিতৰত ডেবেৰাপাৰ সত্ৰ প্ৰাক্আৰ্হিৰ । প্ৰসঙ্গসমূহ পাঁচ প্ৰক্ৰিয়াৰে সম্পন্ন হয় – ১) মানস, ২) নিবিড়, ৩) বীৰ, ৪) উপাংগ, ৫) উসৱ । এই পাঁচ প্ৰক্ৰিয়াৰ ভিতৰত উৎসৱ আকৌ চাৰিটা ভাগত ভাগ কৰা হয় যেনে –

১) স্থাপনা, ২) বন্দনা, ৩) আনন্দ, ৪) খেলা ।

প্রতেক সত্রতে চৈধ্য বা দ্বাদশ প্রসঙ্গ থাকিলেও সত্রভেদে প্রসঙ্গৰ পৰিচয় আৰু ক্রমৰ পাৰ্থক্য আছে । বৰ্তমানে মাজুলীৰ আদৰ্শ প্রধান সত্রসমূহৰ দ্বাদশ বা চৈধ্য প্রসঙ্গৰ বিৱৰণ সুকীয়া সুকীয়াকৈ দাঙি ধৰা হৈছে ।

আউনীআটী সত্রৰ প্রসঙ্গ ক্রম :

১) বৈৰাগী নাম : বৈৰাগী নামেৰে এই সত্রত প্রথম প্রসঙ্গ আৰম্ভ হয় ।

বৈৰাগী নাম বৃন্দাবন লীলা সন্নিৱিষ্ট কৃষ্ণ বৰ্ণনাৰ নাম । এই নামৰ সামৰণিত কীৰ্তন দিয়ে ।

২) বুঢ়া নাম : কীৰ্তনৰ পিছতে বুঢ়া নাম লগোৱাই বুঢ়া নাম গায় ।

৩) বৰনাম : বুঢ়ানামৰ অন্তত বৰনাম আৰম্ভ হয় ।এই প্রসঙ্গত সামৰণিলৈকে চাৰিটা ঘোষা গায় ।

৪) ভাগৱত পাঠ : বৰনাম সামৰণিৰ লগে লগে সংস্কৃত ভাগৱত

৫) পদ পাঠ : বৰ পাঠকে পদ ভাগৱত পাঠ কৰে ।

৬) গায়ন-বায়ন : প্রত্যেকবাৰৰ নামত থকা গায়ন আৰু একোজন বায়নে পুৱা খোল প্রসঙ্গ কৰে ।

৭) বিয়লা প্ৰসঙ্গ : এই প্ৰসঙ্গত তাল বজাই নাম গায় ।পুৱাৰ দৰেই সন্ধ্যা পদপাঠ, ভাগৱত পাঠ, বৈৰাগী নাম, বুঢ়া নাম, তাল প্ৰসঙ্গ, পদ পাঠ, ওজা আদি কাৰ্য সম্পন্ন হয় ।

দক্ষিণপাট সত্ৰৰ প্ৰসঙ্গৰ ক্ৰম : এই সত্ৰৰ মূল প্ৰসঙ্গ বাৰটা ।

১) তাল প্ৰসঙ্গ : ভোৰতাল বজাই পুৱাতে প্ৰথম প্ৰসঙ্গ আৰম্ভ কৰে ।

২) বৈৰাগী নাম : ৰাম তাল , কৰতালেৰে গোৱা বৈৰাগী নাম ।

৩) ভাগৱত ব্যাখ্যা : সত্ৰাধিকাৰ বা ডেকাধিকাৰে এই সত্ৰত ভাগৱত ব্যাখ্যা কৰে ।

৪) পদ-পাঠ : ভাগৱতৰ অন্তত পাঠকে পদ পাঠ কৰে ।

৫) গায়ন-বায়ন প্ৰসঙ্গ : গায়ন-বায়নে সন্মিলিত হৈ প্ৰসঙ্গ কৰে ।

৬) পাল নাম : গায়ন-বায়নৰ পিছতে পাল নাম আৰম্ভ হয় ।

তাৰ পিছতে বিয়লি প্ৰসঙ্গ, বিয়লি ভাগৱত, পদ পাঠ, তাল প্ৰসঙ্গ , পদ পাঠ(সন্ধ্যা) , ওজা কীৰ্তন আদি হয় ।

গড়মূৰ সত্ৰৰ প্ৰসঙ্গৰ ক্ৰমে :

১) পুৱতীয়া নাম : ব্ৰহ্মমুহূৰ্তত আগৰ পৰা নাম লগোৱাই নাম গায়

। ইয়াত ৫ টা ঘোষা থাকে ।

২) বৈৰাগী নাম : আৰম্ভণিতে বৰগীত গুণমালা গোৱাৰ পিছতে বৈৰাগী নাম গায় ।

৩) বৰনামৰ প্ৰসঙ্গ : বৰনাম লগোৱাই তালেৰে বৰনামৰ প্ৰসঙ্গ কৰে ।

৪) ভাগৱত পাঠ : সত্ৰাধিকাৰে নিজে বা ভাগৱতীয়ে ভাগৱত পাঠ কৰে ।

৫) পদ-পাঠ : পাঠকে পদ পাঠ কৰে ।

৬) গায়ন-বায়ন : বৰ গায়ন আৰু বায়নে খোল তালেৰে প্ৰসঙ্গ কৰে ।

৭) পাল নাম : নাম লগোৱাই পাল নাম গায় ।

এনেদৰেই বিয়লি নাম, পদ পাঠ, বৈৰাগী নাম আৰু সন্ধ্যাও আৰতি , নাম প্ৰসঙ্গ , পদ পাঠ , ওজা প্ৰসঙ্গ কৰে ।

ইয়াৰ উপৰিও বেঙেনাআটী সত্ৰত চৈধ্যটা প্ৰসঙ্গ থাকে । এই প্ৰসঙ্গৰ চাৰিটা ভাগ আছে ।প্ৰাত: প্ৰসঙ্গ , ডেৰলৰীয়া প্ৰসঙ্গ , আবেলি প্ৰসঙ্গ , গধূলি প্ৰসঙ্গ ।

আঁহতগুৰি সত্ৰৰ চৈধ্য প্ৰসঙ্গ : (কাল সংহতিৰ আৰ্হি)

১) গুৰুভটিমা : শংকৰদেৱৰ বন্দনা ।

২) গুণমালা পাঠ :

৩) দেৱভটিমা : পৰম ব্ৰহ্মৰ বন্দনা

৪) টোটয়

৫) চপয়

৬) চতিহা

৭) গীত

৮) জাপ্য ঘোষা

৯) ঘোষা

১০) দিহাৰ ঘোষা

১১) কীৰ্তন

১২) তিনিজয় : জয়ৰাম , জয় নাৰায়ণ ,জয়কৃষ্ণ

১৩) পাঠ

১৪) বৰকাঁহ, ডবা বাদ্যৰ ধ্বনিৰে আশিস বচন আৰু সামৰণি জয় ।

সত্ৰৰ সংহতিভেদে তাত পালন কৰা নিত্য-নৈমিত্তিক কৰ্মসমূহৰ বিৱৰণ দাঙি ধৰা হ ল ।

## ৫. সত্ৰীয়া উৎসৱসমূহৰ শ্ৰেণী বিভাজন

উৎসৱ আৰু পৰ্ব বুলি ক'লে , এই দুয়োৰে মাজত সাধাৰণ পাৰ্থক্য এটি লক্ষ্য কৰা যায় ।নিৰ্দিষ্ট তিথিত প্ৰতি বছৰে যি ধৰ্মীয় কৃত্য পালন কৰা হয় সেয়ে পৰ্ব ।পৰ্বৰ কৃত্যসমূহ সাধাৰণতে ধৰ্মীয় পূজা-পাতল ,শ্ৰাদ্ধ ,স্নান ,ব্ৰত ,উপবাস আদিৰ মাজত বিশেষভাৱে আৱদ্ধ থাকে ।

একোটা 'পৰ্বক' সামূহিকভাৱে আনন্দদায়কৰূপে পালন কৰাই হ'ল উৎসৱ ।সত্ৰসমূহত নিৰ্দিষ্ট কাল-সূচক আৰু অনিৰ্দিষ্ট কাল সূচক দুই প্ৰকাৰৰ উৎসৱ উদ্‌যাপিত হয় । এই দুই প্ৰকাৰৰ উৎসৱৰ বিৱৰণ তলত দিয়া হ'ল :

নিৰ্দিষ্ট কালসূচক উৎসৱ : ক) তিথি-কেন্দ্ৰিক : ইয়াৰ ভিতৰত পৰে যথাক্ৰমে ,১) তিনি বৰ একাদশী, ২) ৰাস পূৰ্ণিমা , ৩) শিৱ চতুৰ্দশী , ৪) মহাপুৰুষসকলৰ তিথি , ৫) সত্ৰৰ সত্ৰাধিকাৰসকলৰ তিথি ।

খ) নক্ষত্ৰ-কেন্দ্ৰিক : ১) জন্মাষ্টমী ২) ফাকুৱা ৩) ৰথযাত্ৰা ।

গ) সংক্ৰান্তি-কেন্দ্ৰিক : ১) ব'হাগ বিহু ২) কাতি বিহু আৰু ৩) মাঘ বিহু ।

ঘ) মাহ-কেন্দ্ৰিক : ১) পাল নাম ,২) ভাদমহীয়া নাম আৰু নৱান্ন বা ন-খোৱা ।

অনিৰ্দিষ্টকালসূচক উৎসৱ :

১) সত্ৰাধিকাৰৰ অভিষেক, ২) বৈৰাগী নাম, ৩) চাউলসিধা আৰু হৰি-কীৰ্তন, ৪) বাৰ্ষিক সবাহ ।

ক) তিথি-কেন্দ্ৰিক : ১) একাদশী- এই উৎসৱৰ ঘাই কথা হ'ল ব্ৰত-উপবাস । বছৰত পৰা শুক্ল কৃষ্ণ দুই পক্ষৰ ২৪ টা একাদশী, গৃহী, ব্ৰতী, যতী সকলোৱে পালন কৰা শাস্ত্ৰৰ মত । ইয়াৰ ভিতৰত আহাৰ শুক্লা একাদশী, ভাদ মাহৰ শুক্লা একাদশী আৰু কাতি মাহৰ শুক্লা একাদশী শ্ৰেষ্ঠ একাদশী তিথিৰূপে পৰিগণিত । এই তিনি একাদশীয়ে ২৪ টা একাদশী তিথিৰ ভিতৰত 'বৰ' আখ্যা লাভ কৰিছে ।

২) ৰাস : উত্থায়ন একাদশীৰ পিছত কাৰ্তিক-পূৰ্ণিমাত প্ৰতি বছৰে ৰাস উৎসৱ উদ্‌যাপিত হয় । ৰাস পূজা আৰু অভিনয় এই উৎসৱৰ মূল কাৰ্য।

৩) শিৱ ৰাত্ৰি : ফাগুন মাহৰ কৃষ্ণ পক্ষত যি চতুৰ্দশী তিথি, সেই তামসী ৰাত্ৰিক শিৱৰাত্ৰি বুলি কোৱা হয় ।

৪) মহাপুৰুষৰ তিথি : মহাপুৰুষ আ্যাখ্যা প্ৰাপ্ত অসমৰ চাৰিগৰাকী ব্যক্তিৰ

তিথি সত্ৰত উৎসৱ আকাৰে অনুষ্ঠিত হয় । সেয়ে হ'ল শংকৰদেৱ, মাধৱদেৱ, দামোদৰ দেৱ, আৰু হৰি দেৱ । বৰ্তমান সময়ত

অসমত পালন কৰা আৰু সত্ৰসমুহত উদ্‌যাপিত হোৱা এই তিথিকেইটা হ' ল :

ভাদৰ মাহ শুক্লা দ্বিতীয়া – শংকৰদেৱৰ তিথি ।

ভাদ মাহৰ কৃষ্ণা পঞ্চমী – মাধৱদেৱৰ তিথি ।

ব' হাগ মাহৰ শুক্লা প্ৰতিপদ – দামোদৰ দেৱৰ তিথি ।

জেঠ মাহৰ অমাৱস্যা – হৰিদেৱৰ তিথি ।

৫) সত্ৰাধিকাৰ সকলৰ তিথি : মহাপুৰুষ সকলৰ তিথিৰ উপৰিও সত্ৰাধিকাৰ সকলৰ তিথি উৎসৱ আকাৰে পালন কৰা হয় ।

খ) নক্ষত্ৰ-কেন্দ্ৰিক : সত্ৰত পালন কৰা উৎসৱ সমূহৰ ভিতৰত নক্ষত্ৰ-কেন্দ্ৰিক অৰ্থাৎ নক্ষত্ৰ ওপৰত গুৰুত্ব দি পালন কৰা উৎসৱ হ' ল জন্মাষ্টমী, ফাকুৱা আৰু ৰথ যাত্ৰা । জন্মাষ্টমী তিথিৰ বিশেষ গুৰুত্বপূৰ্ণ বিষয় জয়ন্তী যোগ ।

নক্ষত্ৰ সংযোগৰ দ্বিতীয়টো উৎসৱ হ' ল ফাকুৱা ।ফাগুন মাহৰ পূৰ্ণিমা তিথিত ফাকুৱা উৎসৱ উদ্‌যাপিত হ' য় ।তৃতীয়টো, নক্ষত্ৰ-কেন্দ্ৰিক উৎসৱ ৰথ যাত্ৰা । পুষ্যা নক্ষত্ৰৰ সংযোগত আহাৰ মাহৰ শুক্লা দ্বিতীয়া তিথিত

বলভদ্ৰ আৰু সুভদ্ৰাৰ সৈতে জগন্নাথক ৰথত তুলি পুৰীৰ জগন্নাথ ধামৰ

পৰা ঘুনুচা বাৰীলৈ নিয়া সমাৰোহপূৰ্ণ কাৰ্যই হ' ল ৰথ যাত্ৰা উৎসৱ।

গ) সংক্ৰান্তি-কেন্দ্ৰিক : অসমৰ সত্ৰসমূহত এই বিহু উৎসৱ আধ্যাত্মিক

পৰিৱেশত পালন কৰা হয় । মকৰ ৰাশিত সংক্ৰমণ হোৱা মাঘৰ সংক্ৰান্তিক-কেন্দ্ৰিক উৎসৱ হ' ল – ১) ব' হাগ বিহু ২) কাতি বিহু ৩) মাঘ বিহু ।

ঘ) মাহ কেন্দ্ৰিক উৎসৱসমূহৰ ভিতৰত ঘাইকৈ পালিত উৎসৱ ১) পাল নাম ২) ভাদমহীয়া নাম । আউনীআটীসত্ৰত পাচঁদিনকৈ প্ৰতিবছৰে কাতিমাহত পালনাম পাতে । গড়মূৰ সত্ৰত এদিনীয়াকৈ পালন কৰে । সত্ৰত পালন কৰা মাহকেন্দ্ৰিক উৎসৱৰ ভিতৰত – আঘোণ মাহত নৱান্ন উৎসৱ । ইয়াৰ উপৰিও অন্য কিছু নিৰ্দিষ্টকালসূচক উৎসৱ হ' ল – অশোকাষ্টমী, লক্ষ্মী পূৰ্ণিমা , মহাষ্টমী, দীপান্বিতা, মহালয়া, অম্বুবাচী, সূৰ্য আৰু চন্দ্ৰ গ্ৰহণ আদি ।

অনিৰ্দিষ্টকালসূচক উৎসৱ : অনিৰ্দিষ্টকালসূচক উৎসৱ সত্ৰত কেইবাটাও পোৱা যায় ।তাৰ ভিতৰত সত্ৰাধিকাৰৰ অভিষেক, বৈৰাগী নাম, হৰি কীৰ্তন আৰু চাউল সিধা, বাৰ্ষিক সবাহ উল্লেখযোগ্য । এইবিলাক উৎসৱৰ উপলক্ষ্যে কোনো নিৰ্দিষ্ট দিন, মাহ, তিথি নাথাকে ।

## ৬. সামাজিক উৎসৱ, আনুষ্ঠানিক আৰু মহাপুৰুষসকলৰ বাৎসৰিক তিথি

নিৰ্দিষ্ট আৰু অনিৰ্দিষ্ট কালসূচক উৎসৱসমূহৰ মাজত আকৌ তিনিটা ভাগ কৰিব পাৰি । ক্ৰমে – সামাজিক, আনুষ্ঠানিক আৰু বাৎসৰিক উৎসৱ । প্ৰত্যেক সামাজিক, আনুষ্ঠানিক আৰু বাৎসৰিক উৎসৱ উপলক্ষ্যে দিনৰ নিত্য প্ৰসঙ্গত বৰ্ধিত প্ৰসঙ্গ থকাৰ উপৰিও দিনৰ মধ্যাহ্ন ভাগত আৰু ৰাতি বিশেষ অনুষ্ঠান পালিত হয় । এই নৈমিত্তিক প্ৰসঙ্গত অন্তৰ্ভুক্ত হিয়া নাম , উঠা নাম, দিহা নাম, গায়ন-বায়ন, নটুৱা, ওজা এই সকলোখিনি ক্ৰমিক কাৰ্যাৱলীক সবাহ বোলা হয় । হিযা নাম, উঠা নাম, থিয় নাম একে পৰ্যায়ৰ নাম ।হীৰা নামআৰু হিয়া নাম সত্ৰভেদে এই দুই শব্দ ব্যৱহাৰ দেখা যায় ।যি শ্ৰেণীৰেই নহওক কিয় প্ৰত্যেক সত্ৰীয়া উৎসৱ-পৰ্বত পূজা-পাৰ্বণ, নাম-পসংগ, ভাওনা আৰু ব্ৰত-উপবাস নিৰ্দিষ্টভাৱে সংলগ্ন হৈ থাকে । অৱশ্যে সংহতিভেদে সত্ৰসমূহত পূজা-পাৰ্বণৰ প্ৰচলন বা গুৰুত্ব নিৰ্ধাৰিত হৈ আহিছে ।

সামাজিক উৎসৱ (জন্মাষ্টমী) : সত্ৰসমূহত পালন কৰা জন্মাষ্টমী উৎসৱ এক গুৰুত্বপূৰ্ণ উৎসৱ । ব্ৰহ্ম সংহতিৰ সত্ৰসমূহত এই উৎসৱত কৃষ্ণ পূজাত অধিক গুৰুত্ব দিয়া হয় । এই জন্মাষ্টমী তিথিক প্ৰতি বছৰে ভাৰতীয় জনসাধাৰণে উৎসৱ আকাৰে পালন কৰি আহিছে । অসমৰ প্ৰায়বিলাক সত্ৰত এই উৎসৱ বিশেষ ৰীতি-

নীতিৰে পালন কৰাৰ প্ৰথা আছে । জন্মাষ্টমী কোনো সত্ৰত এদিনীয়াকৈ আৰু কোনো সত্ৰত দুদিনীয়াকৈ পালন কৰে । মাজুলীৰ দক্ষিণপাট, গড়মূৰ, বেঙেনাআটী সত্ৰসমূহত জন্মাষ্টমী দুদিনীয়াকৈ অনুষ্ঠিত হয় । সাধাৰণতে সত্ৰসমূহত জন্মাষ্টমী চাৰিটা পৰ্যায়ত পালন কৰা হয় । সেইকেইটা হ'ল – পূজা, নাম-কীৰ্তন, অভিনয়, ব্ৰত পালন । জন্মাষ্টমী মূল তিথিৰ দিনা মূল পূজা সন্ধ্যা সময়ৰ পৰা অনুষ্ঠিত হয় যদিও সত্ৰ বিশেষে পুৱা নিত্য পূজাৰ অন্ততো জন্মাষ্টমী উপলক্ষ্যে এভাগ বিশেষ পূজা কৰাৰ ব্যৱস্থা থাকে । বিশেষকৈ দক্ষিণপাট সত্ৰত এই ৰীতি আছে । তিথিৰ দিনা পুৱা নামঘৰত নিত্য-প্ৰসংগৰ লগত শ্ৰী কৃষ্ণ জন্মখণ্ডৰ কীৰ্তন আৰু বুঢ়া প্ৰসঙ্গ গোৱাৰ নিয়ম আছে । প্ৰথম দিনাৰ কাৰ্য শেষ হোৱাৰ পিছত দুদিনীয়াকৈ এই উৎসৱ অনুষ্ঠিত হোৱা সত্ৰসমূহত দিনত নন্দোৎসৱ উপলক্ষ্যে বোকা ভাওনা অনুষ্ঠিত হয় ।

খ) ৰাস : আদিতে ৰাসৰ পাতনি আছিল গোলোকত । অসমৰ সত্ৰসমূহত বৈদিক ক্ৰিয়াকাণ্ড আৰু নাট্যধৰ্মী ব্যৱস্থাৰে ৰাস উৎসৱ উদ্‌যাপিত হয় ।সত্ৰীয়া আদৰ্শ ৰক্ষা কৰি থকা প্ৰায়বেঅৰ সত্ৰতে ৰাস উৎসৱ পালন কৰা হয় । আউনীআটী, দক্ষিণপাট, গড়মূৰ কুৰুৱাবাহী আদি সত্ৰত ৰাস পূজাৰ বিশেষ প্ৰাধান্য আছে । সত্ৰসমূহত ৰাস অভিনয়ৰ নাটক সমূহক দুই প্ৰকাৰে বিভক্ত কৰিব পাৰি : ১) মহাপুৰুষ শংকৰ-মাধৱদেৱৰ কেলি-গোপাল আৰু ৰাস-ঝুমুৰা নাটকেৰে কিছু সত্ৰত ৰাস অভিনয় কৰা দেখা যায় ।

আনহাতে আউনীআটী, দক্ষিণপাট, গড়মূৰ আদি সত্রত নিজ নিজ সত্রতে কৰা, ৰাসলীলাৰ বিষয়বস্তুৰ লগত সংগতি থকা নাটকৰহে অভিনয় কৰা হয় । এদিনিয়াকৈ ৰাস পালন কৰা সত্রবোৰত দিনত নিত্য প্রসঙ্গৰ অন্তত ৰাস উপলক্ষ্যে হিয়া নাম, দিহা নাম, গায়ন-বায়ন, নটুৱা, চালি, ওজাপালি আদি অনুষ্ঠান থাকে । দক্ষিণপাট সত্রত তিনিদিনৰ তিনিতা বিশেষ ভাগেৰে এই ৰাস উৎসৱ পালন কৰা হয় ।প্রথম দিনা অধিবাস, দ্বিতীয় দিনা ৰাস আৰু তৃতীয় দিনা ইন্দ্রাভিষেক ।

গ) ফাকুৱা : ফাকুৱা ৰঙৰ প্রতীক, আনন্দ-উলাহৰ এক মাধ্যম । সত্রীয়া পৰিৱেশৰ মাজত বৰদোৱা আৰু বৰপেটা সত্রতে এই উৎসৱৰ প্রথম আৰ্হি পোৱা যায় । অসমৰ উজনি সত্রসমূহত মূল উদ্দেশ্য একে হ'লেও সত্র বিশেষে ৰীতিৰ পাৰ্থক্য আছে । এই উৎসৱ কোনো সত্রত তিনিদিনীয়া, কোনো সত্রত পাচঁদিনীয়া আৰু পূৰ্বৰ নিয়ম অনুসৰি কোনো সত্রত একাদশীৰ পৰা পঞ্চমী পৰ্যন্ত এই দহদিন ধৰি উদ্‌যাপন কৰে । এই উৎসৱ নূন্যতম তিনিদিন জুৰি উদ্‌যাপিত হয় । কাৰণ অধিবাস, মূল পূজা আৰু মহা প্রভু ফুৰোৱা - এই তিনিদিনৰ তিনিটা কাৰ্য জড়িত হৈ থাকে । বৰপেটা সত্রত এই উৎসৱ ফাগুন মাহত হ'লে চাৰিদিনীয়া আৰু কেতিয়াবা ৰোহিণী নক্ষত্রৰ অনুযায়ী পাচঁদিনীয়াকৈও পালন কৰা হয় । দক্ষিণপাট, কুৰুৱাবাহী, গড়মূৰ আদি সত্রত উদ্‌যাপিত হোৱা উৎসৱৰ দিনবোৰৰ কোনো সুকীয়া পৰিচয় নাই । মূল তিনিদিনক

ক্ৰমে অধিবাস, মূল পূজা আৰু মহাপ্ৰভু ফুৰোৱা বুলি জনা যায় । শেষৰ দিনটোক সামৰণী উৎসৱ বুলিও কোৱা হয় । বেঙেনাআটী সত্ৰত এই চাৰিদিনীয়াকৈ পালন কৰে ।এই উৎসৱৰ বাবে পূজাৰ সুকীয়া সূতি থাকে । এই সত্ৰত সুবিধা অনুসৰি চতুৰ্থ দিনা ৰাতিলৈ ভাওনা অনুষ্ঠিত হয় ।

ঘ) পালনাম : এটা নিৰ্দিষ্ট সময়লৈকে ভগৱানৰ গুণ নাম যি প্ৰণালীবদ্ধ ৰীতিৰে পালে পালে গায় এক অখণ্ডতা ৰক্ষা কৰা হয় সেই নামেই হ'ল পালনাম । পালনাম এদিনৰ পৰা সপ্তাহ পৰ্যন্ত পতাৰ ব্যৱস্থা আছে । ব্ৰহ্মসংহতিৰ মূল সত্ৰসমূহত এদিনীয়া কিন্তু আউনীআটী সত্ৰত পাচঁদিনীয়াকৈ পালনাম পতা হয় । এই সত্ৰত পালনাম সাধাৰণতে কাতি মাহৰ ২৫ তাৰিখৰ পৰা ২৯ তাৰিখলৈকে পাচঁদিনীয়াকৈ অনুষ্ঠিত হয় । পাচঁজনে গোৱাৰ বাবে এই নামক পাচঁতিয়া পালনাম বোলা হয় । ৩০ তাৰিখে সংক্ৰান্তিৰ দিনা পুৱা বেলাত এই নামৰ সামৰণি পৰে ।গড়মূৰ সত্ৰত এদিনীয়াকৈ দিনে-ৰাতিয়ে পালনাম অনুষ্ঠিত হয় । এই সত্ৰৰ পালনামত মাধৱদেৱৰ সম্পূৰ্ণ এহেজাৰ ঘোষা পাঠ কৰে । বেঙেনাআটী সত্ৰত গোটেই ভাদমাহ জুৰি পালনাম গোৱাৰ ব্যৱস্থা আছে ।কমলাবাৰী সত্ৰকেইখনতো এদিনৰ পৰা সাত দিনলৈকে অখণ্ডতাৰে কোনো বছৰত পালনাম অনুষ্ঠিত হয় । বিহিমপুৰ সত্ৰত এদিনীয়াকৈ পালনামৰ আয়োজন কৰে ।

বহাগ বিহু : শৰৎ, শীত আৰু বসন্ত ঋতুত উদ্‌যাপিত হোৱা তিনি

বিহু অসমৰ লোক-জীৱনৰ প্ৰধান উৎসৱ । অসমৰ লোকজীৱনত পালন কৰা বিহু আৰু সত্ৰত পালন কৰা বিহুৰ মাজত যথেষ্ট পাৰ্থক্য আছে । বিশেষকৈ আধ্যাত্মিক শিক্ষাৰ আধাৰ স্বৰুপেহে বিহুৰ পৰম্পৰা সত্ৰসমূহত ৰক্ষিত হৈ আছে । সত্ৰীয়া জীৱনধাৰাত বিহু নৃত্য-গীতৰ একেবাৰেই সংস্পৰ্শ নাই যদিও বিশেষকৈ গৃহী সত্ৰসমূহত স্থানীয় ৰাইজে আহি হুচঁৰি গোৱা দেখা যায় । সত্ৰসমূহত বিহু নৃত্য-গীতৰ পৰিৱৰ্তে তাত্বিক আৰু আধ্যাত্মিক আদৰ্শযুক্ত নৃত্য-গীতৰ আৰু নাম প্ৰসঙ্গ প্ৰচলিত হ'ল । সত্ৰ পৰম্পৰাত তিনিওটি বিহু একোটি উৎসৱ আকাৰে উদ্‌যাপিত হৈ আছে । ইয়াৰ

ভিতৰত বহাগ বিহুক সত্ৰভেদে তিনিদিনীয়া আৰু দুদিনীয়াকৈ আৰু মাঘ বিহু, কাতি বিহু সকলো সত্ৰতে এদিনীয়াকৈ পালন কৰা হয় । ৰং-আনন্দৰ সমাহাৰ ঘটে বাবে ৰঙালী বিহু আৰু চ'তৰ শেষ দিনটোত পতা বা আৰম্ভ হয় বাবে চ'তৰ বিহু বুলি সত্ৰসমূহত কোৱা হয় । সত্ৰত ব'হাগ বিহু তিনিদিনীয়াকৈ পালন কৰোঁতে তিনিদিনৰ তিনিটা পৰিচয় সত্ৰত স্বীকাৰ কৰে, ১)গৰু বিহু, ২)মানুহৰ বিহু, ৩)ছেৰা বিহু । বিহু উপলক্ষ্যে মূলত : নামকীৰ্ত্তন, বিশেষ সেৱা-পূজা, খোৱা-বোৱা, নৱ-বস্ত্ৰ পৰিধান, ক্ৰীয়া-কৌতুক অনুষ্ঠান আদি বিশেষভাৱে পালন কৰা হয় ।উৰুকাৰ দিনাই নামঘৰ মণিকূটৰ চৌপাশ, ভঁৰাল ঘৰ, পদশিলা ঘৰ, গুৰুগৃহ, হাটীৰ বহাসমূহত নিজা নিজা দায়িত্বত পৰিস্কাৰ কৰিব

গুৰুগৃহ, হাটীৰ বহাসমূহত নিজা নিজা দায়িত্বত পৰিস্কাৰ কৰিব লাগে সত্ৰত গৰুক দেৱতা জ্ঞান কৰি গো সেৱা-পূজা কৰা দেখা যায় । লোক জীৱনত প্ৰচলিত প্ৰথা অনুসৰিয়েই গো-সেৱা কৰা নিয়ম ।গৰু বিহুৰ দিনা গৰু গোহালিতেই গৰুৰ গাত মাহ-হালধি সানি কপালত মাহ-হালধিৰে ফোঁট দি গৰুক পুখুৰী, নদী, বিল, ডোবা আদিলৈ গৈ তাতেই ভালকৈ গা ধুৱায় । তাৰ পিছত সন্ধ্যাৰ সময়ত উভতি আহোঁতে মাখিয়তী, দীঘলতী পাতেৰে গৰুক কোবাই আগবঢ়াই আনে । নতুন পঘাৰে গৰুক বন্ধাৰ আগতে পঘাডাল মাহ, হালধি, মিঠাতেল সানি নোৱাই লয় । গৰুক গোহালিত বন্ধাৰ সময়তে লাৰু পিঠা আদি খুৱায় । এই দিনতে সন্ধ্যা সময়ত নাহৰ পাতত বাত-বৃষ্টি নিবাৰণৰ কাৰণে শিৱস্তুতি লিখি নাহৰ পাত ঘৰৰ দুৱাৰ দাবৰ ওপৰত আঁৰি থয় । পুৱাৰ পৰা সেইদিনা নামঘৰত নাম প্ৰসঙ্গত সকলো বৈষ্ণৱে ভাগ লয় । পুৱা প্ৰসঙ্গত বিহু পৰ্ব উপলক্ষ্যে বিহুৰ তিনিদিন দুটাকৈ কীৰ্তন দিয়া হয় । সকলো সত্ৰতে বিহুত বঢ়া ঘোষা, বঢ়া প্ৰসঙ্গ থাকে । দিনৰ সবাহত নৈমিত্তিক গায়ন-বায়নৰ প্ৰসঙ্গ থাকে কাৰণে নিত্য প্ৰসঙ্গত গায়ন-বায়ন পূৰ্বৰ দিনৰ দৰে নাথাকে । গড়মূৰ সত্ৰত গৰু বিহু, মানুহৰ বিহু এই দুই দিনত বিশেষ ঘোষা চাৰিটা গোৱা নিয়ম । নাম-প্ৰসঙ্গ চলি থাকোতে বৰনান আৰম্ভ হোৱাৰ লগে লগে সত্ৰাধিকাৰ প্ৰৱেশ কৰে । বিহু উপলক্ষ্যে ব্যৱহাৰ কৰা সত্ৰৰ পিঠা জলপান এনেধৰণৰ –দৈ, থাকোতে বৰনান আৰম্ভ হোৱাৰ লগে লগে

থাকোতে বৰনান আৰম্ভ হোৱাৰ লগে লগে সত্ৰাধিকাৰ প্ৰৱেশ কৰে । বিহু উপলক্ষ্যে ব্যৱহাৰ কৰা সত্ৰৰ পিঠা জলপান এনেধৰণৰ – দৈ, চিৰা, আখৈ, মুড়ি, পিঠা-গুড়ি, সান্দহ, বৰপিঠা, ঘিলা পিঠা ,নাৰিকলৰ লাডু সূতলি পিঠা আদি । এই বিহুত খেলা খেলসমূহ হ' ল –পাশা, বাঘ গৰু, টেকেলী ভঙা, ঢোপ খেল ।

আউনীআটী সত্ৰত মানুহ বিহুৰ দিনা সাতমানভগীয়া সকলকো বায়নে খোলৰ চাপৰ বজাই সন্মান জনায় । গৰু বিহুৰ দিনা নটুৱা নাচ, গায়ন-বায়ন আৰু ওজাপালি পৰিৱেশন কৰা হয় ।বিহুৰ দিনা নৱ বস্ত্ৰ পৰিধান এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য । ভকতসকলৰ লগতে সত্ৰৰ মূখ্য স্থানসমূহতো নতুন বস্ত্ৰ দিয়া হয় । এইদৰেই সত্ৰসমূহত বিহুৰ তিনিদিনৰ আনুষ্ঠানিক আৰু আচাৰ-নীতি কাৰ্যৰ অন্ত পৰে ।

কাতি বিহু : বছৰৰ বাৰ মাহৰ ভিতৰত কাতি মাহ হ ল সপ্তম মাহ । মূলত - সংস্কৃত শব্দ কাৰ্তিকৰ পৰা অসমীয়াত ব্যৱহাৰ কাতি শব্দ ওলাইছে । সাধাৰণতে এই বিহু এদিনীয়াকৈ পতা হয় যদিও অসমৰ বিভিন্ন সত্ৰত এমহীয়াকৈ তুলসী তলত দীপ জ্বলোৱা হয় । অভাৱ-অনাটনৰ সময়ত পালন হোৱা বাবেই এই বিহুক কঙালী বিহু বুলি কোৱা হয় । পাচঁ প্ৰকাৰে কাতি মাহত ব্ৰত পালন কৰা হয় । তাৰে ভিতৰত হৰি জাগৰণ, তুলসী সেৱন, দীপদানত অধিক গুৰুত্ব দিয়া হয় । কাতি মাহৰ এই বিহুটোক আউনীআটী সত্ৰত বিশেষ ৰীতিৰে পালন কৰা হয় । প্ৰতি বহাৰ সন্মুখত সত্ৰত

সত্ৰত বিশেষ ৰীতিৰে পালন কৰা হয় । প্ৰতি বহাৰ সন্মুখত তুলসীভেটি সাজি তুলসী ৰুই বন্তি প্ৰজ্বলন কৰাৰ লগতে সত্ৰৰ মধ্যৱৰ্তী স্থানত সামূহিকভাৱে আকাশ বন্তি উত্তোলন কৰা হয় । বিহুৰ উপলক্ষ্যে এই দিনত পুৱা প্ৰসঙ্গৰ অন্তত আন উৎসৱ পৰ্বৰ দৰে কিছু সময় জিৰণি লোৱাৰ পিছত দিনৰ সবাহ অনুষ্ঠিত হয় । আন সত্ৰসমূহত সত্ৰাধিকাৰৰ বহা, ডেকাৰ বহাৰ সন্মুখত আকাশ বন্তি প্ৰজলন কৰে । কাতি বিহুৰ লোক পৰম্পৰা, সত্ৰত এক ধৰ্মীয় ৰীতিলৈ উন্নীত হৈছে ।

মাঘ বিহু : অসমৰ লোক জীৱনত শস্য সিচাঁ, কঠীয়া ৰোৱা আৰু মৰণা মৰাৰ এই তিনিটা সময়ত তিনি বিহু পালন কৰা হয় । ইয়াৰ ভিতৰত মাঘৰ বিহু প্ৰধানত: শস্য চপোৱাৰ লগত উদ্‌যাপন কৰা হয় । সাধাৰণতে এই বিহুত ভোগৰ প্ৰাচুৰ্য ঘটে বাবে এই বিহুক ভোগালী বিহু বুলি কোৱা হয় । সত্ৰ-সবাহত এই বিহু পালনৰ ক্ষেত্ৰত আনুষ্ঠানিক পৰিৱেশৰ বিশেষ গুৰুত্ব আছে । সত্ৰত এই বিহু দুদিনীয়াকৈ পালন কৰা হয় । প্ৰথম দিনা উৰুকা অৰ্থাৎ সংক্ৰান্তিৰ আগৰ দিনটো আৰু দ্বিতীয় দিনা মূল বিহু । সত্ৰত ভিতৰত স্থানত সকলোৱে একেলগে ভোজ-ভাত খায় আৰু মেজি প্ৰজ্বলন কৰে । ৰন্ধন কাৰ্য সত্ৰীয়া নিয়মেৰে নিৰ্দিষ্ট ৰান্ধনিয়ে কাৰ্য কৰে । এনে ব্ৰহ্ম সংহতিৰ সত্ৰত পুৱা নাম-প্ৰসঙ্গৰ সময়ত নামঘৰত বৈদিক প্ৰথাৰে অগ্নি পূজাৰ আয়োজন কৰা হয় । কোনো সত্ৰত অৱশ্যে ৰাতিলৈও বিহুৰ উপলক্ষ্যে বিশেষ নাম কীৰ্তনৰ ব্যৱস্থা

থাকে । মাঘৰ বিহুত খোৱা-লোৱাৰ ক্ষেত্ৰত সত্ৰতো কেইটামান বিশেষ বিশ্বাসৰ ৰীতি আছে । কাঠ আলু, মোৱা আলু, নতুন মাটিমাহ, বৰা চাউল আৰু তিল এই তিনিবিধ একেলগে শুকানে ভাজি খায় ।

আনুষ্ঠানিক উৎসৱ : তিনিবৰ একাদশী হ্ ল-শয়ন, প্বাশ পৰিৱৰ্তন আৰু উত্থায়ন একাদশী । একাদশী প্ৰতিপক্ষৰ ১৫ তিথিৰ ভিতৰত অন্যতম তিথি । আহাৰ মাহৰ একাদশীৰ পৰা কাতিমাহৰ একাদশীলৈকে ভগৱানে শয়ন কৰে । এই একাদশীৰ নাম শয়ন একাদশী । এই একাদশীৰ অন্তত ভাদমাহৰ একাদশীত ভগৱানে শয়নৰ বাগৰ সলায় । যাৰ বাবে এই একাদশীক পাশ্ব একাদশী বোলে । তাৰ পিছতে চাৰিমাহৰ পূৰ্ণতাত ভগৱানে শয়ন কাৰ্য ত্যাগ কৰে । এই একাদশীয়ে উত্থায়ন একাদশী বোলে । সত্ৰসমূহত তিনি বৰ একাদশীৰ বাহিৰে আন একাদশীবিলাকত নিত্য-নৈমিত্তিক প্ৰসঙ্গৰ লগতে কীৰ্তন এটি বেছিকৈ দি উপবাসেৰে একাদশী তিথিৰ সামৰণি মাৰে । আউনীআটি, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী আদি সত্ৰত দিনত বৰ একাদশী উপলক্ষ্যে বিশেষ অনুষ্ঠান থাকে ।

সত্ৰাধিকাৰৰ নিৰ্মালি লোৱা উৎসৱ : এখন সত্ৰ পূৰ্ণাগ ৰূপ পাবলৈ গুৰু, নাম, দেৱ আৰু ভকত এই চাৰিটা পদৰ আৱশ্যক । গুৰুক সত্ৰখনিত সত্ৰাধিকাৰ নামেৰে অভিহিত কৰা হয় । সংহতি অনুসৰি সত্ৰাধিকাৰক বিভিন্ন নামেৰে জনা যায় । এগৰাকী সত্ৰাধিকাৰক

আনুষ্ঠানিকতাৰ মাজেৰে, বৈদিক নিয়মেৰে নিৰ্মালি প্ৰদান কৰি অভিষেক কৰাই সামাজিক স্বীকৃতি দিয়া প্ৰথা সত্ৰ প্ৰতিষ্ঠা কালৰ পৰাই প্ৰচলিত হৈ আহিছে । অভিষেক কৰ্মৰ দিনা নামঘৰটি উত্তমৰূপে সজাই তোলা হয় । নামঘৰত চন্দ্ৰতাপ তৰে ; দুৱাৰমূখত আমপাত আৰেঁ । কৰাপাটৰ সন্মুখত কলপুলি পুতি আমপাত আৰেঁ । সত্ৰলৈ অহা অধিকাৰসকলক আদৰি অনা হয় । সত্ৰাধিকাৰসকলে নবীন অধিকাৰৰ শিৰত নিৰ্মালি প্ৰদান কৰে । তাৰ পিছতে গায়ন-বায়নৰ গীত বাদ্য আৰু নটুৱা নাচ আৰম্ভ হয় । এনেদৰে এই দিনৰ কাৰ্য সম্পূৰ্ণ হয় ।

চাউল সিধা আৰু হৰি কীৰ্তন : তিনি প্ৰকাৰে চাউল সিধা নিয়ম আছে, গুৰুক সেৱা জনাওঁতে, সত্ৰত নতুন ৰান্ধনিয়ে মান্যজনক অন্ন ৰান্ধি দিওঁতে আৰু সমূহীয়াভাৱে গুৰু-ভকত সেৱাৰ উপলক্ষ্যে সিধা দিয়াটো নিয়ম । কোনো সত্ৰত চাউল সিধা আৰু কোনো সত্ৰত হৰি কীৰ্তন নামেৰে এই অনুষ্ঠান প্ৰচলন আছে । ব্ৰহ্ম সংহতিৰ সত্ৰত এই অনুষ্ঠান চাউল সিধা হিচাপে জনা যায় । এই অনুষ্ঠান সমূহীয়া আৰু অন্ন-বস্ত্ৰ দান কৰিব লাগে । চাউল সিধাৰ দিনা পুৱা প্ৰসঙ্গৰ লগে লগে হাতত পাত্ৰলৈ বৈষ্ণৱসকলে সেৱকীৰ বহাৰ পৰা চাউল সিধা নিয়ে । তাৰ পিছত প্ৰত্যেক বহাত বস্ত্ৰ দান কৰে । পুৱাৰ প্ৰসঙ্গৰ অন্তত চাউল সিধা উপলক্ষ্যেসমূহ বৈষ্ণৱে নিজ নিজ আসন গ্ৰহণ কৰে আৰু নিৰ্দিষ্ট কাৰ্যত অংশ লয় । হিয়ানাম, দিহানাম, গায়ন-বায়ন, নটুৱা, ওজাপালিৰে সবাহৰ

সামৰণি পৰে । ৰাতিলৈ ভাওনা অনুষ্ঠিত হয় ।

বৈৰাগী নাম : আউনীআটী, দক্ষিণপাট, গড়মূৰ আদিত সত্ৰত নিত্য প্ৰসঙ্গৰ ব্যৱহৃত বৈৰাগী নাম চৈধ্য প্ৰসঙ্গৰ অন্তভুক্ত নাম । সত্ৰবিলাকত এই নামৰ বাবে নিৰ্দিষ্ট নাম লগোৱা আৰু আৰ্শীবদীয়া থাকে ।

নিত্য প্ৰসঙ্গৰ উপৰি বিশেষ আনুষ্ঠানিক পৰিৱেশৰ মাজত অনুষ্ঠিত অনুষ্ঠিত নামক বৈৰাগী নাম বোলা হয় । সন্ধ্যা সময়ত এই নাম পতাৰ বাবে দক্ষিণপাট সত্ৰত ' সন্ধ্যা সেৱা নাম' বুলি পৰিচিত । বৈৰাগী নামৰ চাৰিটা মূল ভাগ আছে । প্ৰথম, বৈৰাগী নাম ডাকনি, দ্বিতীয়, মূল বৈৰাগী নাম তৃতীয়, বৈৰাগী নামৰ দিহা আৰু চতুৰ্থত কীৰ্তন । কোনো লোকে বৈৰাগী নাম গোওৱাৰ ইচ্ছা কৰিলে এটা নিৰ্দিষ্ট শুভ দিন স্থিৰ কৰি সত্ৰৰ সত্ৰাধিকাৰক অৰিহণাসহ গুৱা-পাণৰ শৰাইৰে জনাই আজ্ঞা ল' ব লাগে । সত্ৰাধিকাৰ প্ৰমুখ্যে সকলো ভকত বৈষ্ণৱেই ধুতি হৈ এই নামত অংশ গ্ৰহণ কৰে । শংকৰদেৱ ৰচিত কীৰ্তনৰেই বৈৰাগী নামৰ সামৰণি মাৰে । সকলোৱে আৰ্শীবাদ লয়, প্ৰসাদ বিলোৱা হয় ।

এইসমূহৰ উপৰিও অন্য কিছু উৎসৱ আছে । সেইসমূহ হ' ল নৱান্ন, শিৱৰাত্ৰি, ভাদমহীয়া নাম, কৃষ্ণাই সবাহ, ৰাস । সত্ৰত দেৱতাৰ উদ্দেশ্যে উৎসৰ্গিত অন্নক লৈ নৱান্ন উৎসৱ পালন কৰে । ইয়াৰ বাবে নিধাৰিত সময়, দিন আৰু আনুষ্ঠানিক নীতি-

নিয়ম আছে । এই উৎসৱৰ দিনা নৱান্নৰ দ্ৰব্যসমূহ প্ৰথমে মহা প্ৰভুৰ চৰণ উচৰ্গা কৰে । নৱান্ন উৎসৱ উপলক্ষ্যে কোনো কোনো সত্ৰত দিনত সবাহ অনুষ্ঠিত হয় । এনেদৰেই আনুষ্ঠানিক উৎসৱসমূহ পালন কৰা হয় ।

মহাপুৰুষসকলৰ বাৎসৰিক তিথি : মহাপুৰুষসকলৰ তিথি পালন কৰোঁতে প্ৰত্যেক সত্ৰই নিজৰ নিজৰ পৰম্পৰা অনুসৰি পালন কৰে । আউনীআটীত অন্নদান, নাম-কীৰ্তন, নটুৱা নাচ, কীৰ্তনীয়া-ওজা, পৰিৱেশন, অতিথি শুশ্ৰূষা আদি মূল কৰ্তব্য । সাধাৰণতে এওঁলোকৰ তিথিসমূহ মহোৎসৱৰূপে পালন কৰা হয় । ইয়াৰ বাবে শিষ্য-প্ৰশিষ্যসকলক নিমন্ত্ৰণ দিয়া হয় । সত্ৰভেদে তিথি উদ্‌যাপনৰ ব্যৱস্থা সুকীয়া সুকীয়া হয় । পুৰুষ, নিকা সংহতিত চাৰিদিন পৰ্যন্ত উদ্‌ যাপন কৰা হয় । - ১ নিত্যপ্ৰসঙ্গ বৃদ্ধি, ২ দিনৰ সবাহ, ৩ ৰাতি ভাওনা প্ৰদৰ্শন ৪ চাউল সিধা জলপানৰ ব্যৱস্থা ।

১ নিত্যপ্ৰসঙ্গ বৃদ্ধি : এই দিনা কীৰ্তন, পদঘোষা, তিথি উপলক্ষ্যে বেছিকৈ গোৱা হয় ।

২ দিনৰ সবাহ : হিয়ানাম, দিহানাম, গায়ন-বায়ন, নটুৱা আৰু ওজা কীৰ্তনৰে সবাহৰ সামৰণি মাৰে ।

৩ ৰাতিৰ ভাওনা : শংকৰদেৱ-মাধৱদেৱৰ তিথিত তেওঁলোকে ৰচনা ব্ৰজাৱলী ভাষাৰ অংকীয়া নাটক পৰিৱেশন কৰে ।

৪ চাউল সিধা আৰু জলপানৰ ব্যৱস্থা : এই তিথিত সত্ৰৰ ভৰাঁলৰ

পৰা বৈষ্ণৱসকলক চাউল সিধা দিয়া নিয়ম । আলহীসকলক তথা সত্ৰত সমৱেত ৰাইজক জলপান খুওৱাৰ ব্যৱস্থা থাকে । দুদিনীয়াকৈ পালন কৰা বেঙেনাআটী সত্ৰত আগদিনা পুৱতী নিশা মঞ্জিৰা নাম গায় ।

গোপাল আতাৰ তিথি : কাল সংহতিৰ সত্ৰসমূহত এই তিথি মহা পয়োভৰেৰে উদ্‌যাপন কৰে । প্ৰথম দিনা তিথি ৰাতিপুৱা প্ৰসঙ্গ, দুপৰীয়া প্ৰসঙ্গ আৰু ইয়াৰ লগে লগে খোলাৰ চাহিনী বজাই ধুৰাগীত পৰিৱেশন কৰে । এই আৰ্হিৰ সত্ৰত শংকৰদেৱ-মাধৱদেৱ তিথি এদিনীয়াকৈ অনুষ্ঠিত কৰে । নিজৰ সত্ৰৰ সত্ৰাধিকাৰসকলৰ তিথি পালন : সত্ৰত সত্ৰাধিকাৰ তথা গুৰু তিথি পালন কৰাৰ ক্ষেত্ৰত প্ৰতিষ্ঠা দিনৰ পৰা সকলো সত্ৰাধিকাৰৰ তিথি স্মৰণীয় হ'লেও বৰ্তমান সত্ৰাধিকাৰৰ ওপৰত তিথি গৰাকী প্ৰয়াত সত্ৰাধিকাৰৰ তিথিহে উৎসৱ আকাৰে পালন কৰে ।

ব্ৰহ্মসংহতিৰ সত্ৰসমূহত সত্ৰাধিকাৰসকলৰ তিথি পালনত শ্ৰাদ্ধপিণ্ড কৰ্ম, বৰ্ধিত প্ৰসঙ্গ দিনৰ সবাহ, ৰাতিৰ ভাওনা, নাম প্ৰসঙ্গ, চাউল সিধা, ঘাই কাৰ্যসূচী । সকলো সত্ৰতেই মূল তিথিৰ দিনা নিত্য প্ৰসঙ্গত অতিৰিক্ত প্ৰসঙ্গ ৰূপে এটা কীৰ্তন বেছিকৈ গায় । লগতে বৰ নামত এটা বুঢ়া প্ৰসঙ্গ আৰু বৰনামৰ অন্তত পদ ঘোষা অতিৰিক্ত থাকে । অৱশ্যে বৰ্তমান কোনো কোনো সত্ৰত ৰীতিসমূহৰ কিছু সালসলনি ঘটিছে ।

এই তিথিসমূহৰ পালন কৰাৰ ক্ষেত্ৰত কিছু গুৰুত্ব থাকে । গুৰুসকলৰ সত্ৰৰ আৰ্দশৰ ঘাই বাহক । তলত এই তিথি উদ্‌যাপন যোগেদি নিজা নিজা সত্ৰৰ মূল নীতি আৰু নিয়ম পুনৰাবৃত্তি কৰা হয় ।

১. গুৰুৰ প্ৰতি শ্ৰদ্ধা ।

২. বৈদিক শ্ৰাদ্ধ তৰ্পণ ।

৩. গুৰু তিথিৰ দিনা বিশেষ নাম কীৰ্তন ।

৪. ভাওনা প্ৰদৰ্শন ।

৫. গুৰু তিথিত সত্ৰীয়া প্ৰসঙ্গীয়া বৈষ্ণৱৰ নিৰ্মালি ।

৬. ব্ৰত উপবাস পালন আদি ।

# দ্বিতীয় অধ্যায়

## ১. কমলাবাৰী সত্ৰৰ ইতিহাস

অসমৰ বিখ্যাত নদীদ্বীপ মাজুলীৰ সত্ৰসমূহৰ ভিতৰত অন্যতম সত্ৰখনৰ নামেই শ্ৰী শ্ৰী কমলাবাৰী সত্ৰ । এই সত্ৰখণ ১৫৯৫ শক আঘোণ মাহৰ শুক্লা একাদশীৰ বৃহস্পতিবাৰে মাধৱদেৱৰ নুমলীয়া শিষ্য বদলা আতা বা বদলা পদ্মআতাদেৱে প্ৰতিষ্ঠা কৰে । মহাপুৰুষ দুজনাৰ বদলি তথা পৰিৰ্ব্বতে উজনিত ধৰ্ম প্ৰচাৰ কৰে বাবে তেখেতক পিছলৈ বদলা আতা নামেৰে জনা যায় । সত্ৰ শব্দৰ আভিধানিক অৰ্থ- সং মানে সৎলোক আৰু ত্ৰৈ মানে ত্ৰাণ কৰ্ত্তা । বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱৰ মতে যি স্থান দেৱতা আৰু বৈষ্ণৱৰ দ্বাৰা বন্দিত, যি স্থান ভক্তসকলে শ্ৰেণীবদ্ধভাৱে বাস কৰি ঈশ্বৰৰ প্ৰিয় কাৰ্য সমাপন কৰে আৰু যি স্থানত ন বিধ ভক্তি- শ্ৰৱণ, কীৰ্তন, স্মৰণ, পদসেৱন, অৰ্চন, বন্দন, দাস্য, সখিত্ব আৰু আত্মনিৱেদনৰ নিজৰা বোৱাই জীৱসকলক শৰণ, ভজন, জ্ঞান, বিজ্ঞান প্ৰদান কৰে সেই শ্ৰেষ্ঠ স্থানকে সত্ৰ বোলা হয় ।

মধ্যযুগত মহাপুৰুষ শংকৰদেৱে বৰদোৱাৰ পৱিত্ৰ ভূমিত প্ৰথম থান (সত্ৰ) স্থাপন কৰি ভাগৱত মহাপুৰাণৰ ভিত্তিত অসমৰ সমাজলৈ বোৱাই আনিলে ভগৱৎ ভক্তিৰ মাজেৰে নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ স্ৰোত । তাৰ মাজেৰে জনসাধাৰণে আহৰণ কৰিলে পৰিমাৰ্জ্জিত ব্যৱহাৰ আৰু সদাচাৰৰ মাজেৰে উন্নত জীৱন

ধাৰণৰ কলা, সু-প্ৰকৃতিৰ কৰ্ষণেৰে কু-প্ৰবৃত্তিক দমন কৰাৰ শিক্ষা, পৰিষ্কাৰ পৰিচ্ছন্ন তাৰ মাজেৰে শৰীৰ ৰক্ষাৰ প্ৰণালী, শ্ৰৱণ কীৰ্তনৰ মাজেৰে সৰ্বোৎকৃষ্ট শান্তি লাভৰ আধ্যাত্মিক অনুভৱ আৰু তাৰ লগে লগে সাহিত্য সংস্কৃতিৰ চৰ্চা আৰু বিকিৰণ ঘটিল ।

মাজুলীৰ পৱিত্ৰ স্থানত মহাপুৰুষ শংকৰদেৱৰ মিলন ঘটিল দুকুৰি বছৰৰ কনিষ্ঠ মহাপুৰূষ মাধৱদেৱৰ লগত । একেই পৱিত্ৰ কৰ্মৰ মাজত দুয়ো নিমগ্ন হৈ আধ্যাত্মিক অনুভূতিৰ মাধ্যেৰে কৃষ্টি, সংস্কিত, জ্ঞান-বিজ্ঞানৰ চৰ্চা আৰু প্ৰচাৰেৰে অলেখ প্ৰতিবন্ধক অতিক্ৰমি আগবঢ়াই নিলে অসমৰ সহজ-সৰল জনসাধাৰণক । লক্ষ্মীনাথ বেজবৰুৱাৰ পূৰ্বপুৰুষ পুৰুষোত্তম বৰুৱাই আগবঢ়োৱা লৌহিতৰ পাৰৰ মাজুলীৰ বুকুৰ কমলামুদৈৰ কঠীয়াতলিৰ তিনিওজনা গুৰুৰ পদধূলাৰে পৱিত্ৰ স্থানত বদলা পদ্মআতাই বন্তিগছ জ্বলাই আৰম্ভ কৰা সত্ৰখনিয়েই কমলাবাৰী নামকৰণৰ নেপথ্যত ভালেখিনি কাহিনী এতিয়ালৈকে চলিত হৈ আছে । তাৰে ভিতৰত সত্ৰ সৰ্ম্পকীয় এটি কথিত তলত আলোচনা কৰা হ ল-

" এই কৃষ্ণাই ৰূক্মিণীক হৰি নিলা

শিৰৰ কমল ফুল ভূমিত পৰিলা

সেহিসে কাৰণে কমলাবাৰী নাম থৈলা"

সত্ৰীয়া ইতিহাসত তথা চৰিতৰ মতে ৰূক্মিণীক কৃষ্ণই

যেতিয়া হৰণ কৰি আনিছিলে । এই কমলাবাৰী য ত পাতিলে সেই ঠাইতেই শিৰৰ কমল ফুল পৰি গৈছিল । কমলামুদৈৰ অনুৰোধত গৈ গুৰু দুজনাই সাত দিন ভাগৱত সমাৰোহ কৰে । তাৰোপৰি সেই ঠাইত এখন ' সত্ৰ' হ' ব বুলি তেওঁলোকে কয় । শেষত সেই ঠাইতেই কমলাবাৰী সত্ৰ স্থাপন কৰা হয় । এই সত্ৰৰ জন্মক্ষণৰ লগত ভালেমান কাহিনী আৰু প্ৰবাদ জড়িত হৈ আছে যদিও বুৰঞ্জীৰ দিশেৰে অতীতলৈ যাবই লাগিব । বেহাৰ মধুপুৰ, কামৰূপ বৰপেটা আৰু উজানে কমলাবাৰী এই তিনিখন পৱিত্ৰ থানৰ স্মৰণেই কমলাবাৰী ইতিহাস ।

ভূষণদেৱ সত্ৰীয়া হৈ থকা কালত মানে অসম আক্ৰমণ কৰি অনেক অত্যাচাৰ কৰাত সত্ৰীয়া আৰু ভকতসকলেও অৰণ্যত আত্মগোপন কৰিব লগা হৈছিল । সত্ৰৰ মূল্যৱান সম্পদ হানি হৈছিল । শেষত সমূহ ভকতে আলোচনা কৰি মানক তিনিশ টকা দিয়াৰ সিদ্ধান্ত কৰিলে । তাৰ পিছতে মানে সত্ৰ এৰি গুচি যায় । মানৰ আক্ৰমণৰ পিছতেই ভূষণদেৱে জীৱিত কালতেই শম্ভুনাথদেৱক সত্ৰীয়াৰ নিৰ্মালি প্ৰদান কৰে । তাৰ পাছতেই আৰম্ভ হয় বিভ্ৰাট । যাৰ ফলস্বৰূপে কমলাবাৰী সত্ৰৰ মাজত ফাট মেলে । এই সত্ৰৰ দুটা ভাগত বিভক্ত হয় আৰু সেই সত্ৰ দুখনক বৰ্তমান উত্তৰ কমলাবাৰী সত্ৰ বা গ্ৰান্ট সত্ৰ আৰু নতুন কমলাবাৰী সত্ৰ হিচাপে জনা যায় ।

এনেদৰে খাম-খিয়ালি চলি থকাৰ মাজতেই চৌসত্তৰ (৭৪) চনত সত্ৰখন আৰ্থিকভাৱে জুৰুলা হৈ পৰে । ইখন জিলাৰ পৰা সিখন জিলালৈ ধান চাউল সৰবৰাহ বন্ধ ; খাদ্য সংকট, এটাৰ পিছত এটাকৈ বানপানীত সৰ্বস্ব হেৰুৱাই । তাৰ পিছতেই সত্ৰৰ স্থানান্তৰ সৰ্ম্পকে চিন্তা কৰি চৰকাৰৰ লগত যোগাযোগ কৰে । জিলাসমূহত মাটিৰ অনুসন্ধান কৰি থকাৰ সময়তে

তিতাবৰৰ ওচৰত থকা নগা পাহাৰৰ কাষতে মাটিৰ কথা গম পাই আৰু সত্ৰখনি সেইঠাইলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত কৰে । ঊনৈছশ পঁইসত্তৰ (১৯৭৫) চনৰ অসমীয়াৰ মাঘ মাহৰ ছয় (৬) তাৰিখ । কমলাবাৰী সত্ৰৰ ইতিহাসত যোগ হ'ল আটাইতকৈ হৃদয় বিদাৰক কাহিনী । মাজুলীবাসীৰ হিয়াৰ আমঠু কমলাবাৰী সত্ৰ স্থানান্তৰত হোৱা বিচ্ছেদত জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে প্ৰায় দহ হাজাৰ মাজুলীবাসী পুৱাৰে পৰা চকুলো টুকি টুকি ব্ৰহ্মপুত্ৰৰ পাৰত সমৱেত হ'ল । ভকত সকলেও সত্ৰৰ সকলো সম্পদ নাৱলৈ স্থানান্তৰ কৰিলে । সেই সময়ৰ মুখ্যমন্ত্ৰী শৰত চন্দ্ৰ সিংহই সহায়-সহযোগীতা আগবঢ়াই । ১৯৭৬ চনত তিতাবৰৰ মহিমাবাৰীত এই সত্ৰৰ পুনৰ প্ৰতিষ্ঠা হয় । এনেদৰেই সত্ৰভাগে গুৰু দুজনাৰ গীত-মাত, নৃত্য সকলোখিনি প্ৰচাৰ প্ৰসাৰত ব্যস্ত হৈ পৰে ।

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত প্ৰতিষ্ঠা হ'ল পুৰণি কমলাবাৰী সত্ৰ বা মূল কমলাবাৰী সত্ৰ । তেতিয়া আওহতীয়া ঠাই পকিল পথ,

যাতায়তৰ কষ্টকৰ । স্থানান্তৰিত হোৱা ভকতসকলৰ নিৰাপত্তাৰ

খাতিৰত কিছু দিনৰ আগৰে পৰাই বাৰজনীয়া পুলিচ পহৰাৰ ব্যৱস্থা কৰিছিল জিলা প্ৰশাসনে । কোনোমতে সত্ৰ ভাগি প্ৰতিষ্ঠা হৈছে । সত্ৰৰ নৈমিত্তিক কামত হেৰ-ফেৰ নোহোৱাকৈ অস্থায়ী কীৰ্তন ঘৰত নাম প্ৰসঙ্গ হয় । তাৰে লগতে গায়ন বায়নৰ চৰ্চা হৈ থাকিল । লাহেকৈ সত্ৰই বিভিন্ন জনকল্যাণমুখী কৰ্ম কৰিবলৈ ধৰিলে । এনেদৰেই ব্ৰহ্মপুত্ৰৰ কৰাল গ্ৰাসত পৰা কমলাবাৰী সত্ৰই

পুনৰ প্ৰতিষ্ঠা লাভ কৰি তাৰ ঐতিহ্য পৰম্পৰাৰ কোনো ক্ষতি নোহোৱা বৰ্তমানলৈকে বৰ্তাই ৰাখিছে । মূল কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ সহ বৰ্তমানৰ দায়িত্ব বহন কৰা

ভকতসকল –

সত্ৰাধিকাৰ –

শ্ৰী শ্ৰী ভৱকান্ত দেৱগোস্বামী ।

দক্ষিণকুলীয়া কৃষ্ণআতৈ বহাৰ বুঢ়াভকত (সমূহীয়া বুঢ়াভকত) –

শ্ৰী সোণাৰাম শৰ্মা বুঢ়াভকত ।

গুৰুআতৈ বহাৰ বুঢ়াভকত –

শ্ৰী দণ্ডিৰাম শৰ্মা বুঢ়াভকত ।

ভাগৱতী আতৈ বহাৰ বুঢ়াভকত –

শ্ৰী জগন্নাথ বুঢ়াভকত বৰবায়ন – সৰ্বশ্ৰী টঙ্কেশ্বৰ হাজৰিকা ; ভোলা ভূঞা ; পৰমানন্দ কাকতী ।

বৰবায়ন – সৰ্বশ্ৰী ভোলা বৰবায়ন, জগত বৰগায়ন ।

নাম লগোৱা – সোণাৰাম নাম লগোৱা ।

পাঠক – বেথাৰাম গায়ন, গোলাপ গায়ন, খগেন শইকীয়া (মহাবীৰৰ পূজাৰী), পুহাই কলিতা, অনিল শইকীয়া ।

আলধৰা গোবিন্দআতৈ বহাৰ বুঢ়াভকত – শ্ৰী ভোগেশ্বৰ বৰদেউৰী আতৈ ।

বৰ্তমান বালক ভকতৰ সত্ৰলৈ আগমন ঘটিছে ।

## তৃতীয় অধ্যায়

# কমলাবাৰী সত্ৰৰ ঐতিহ্য আৰু পৰম্পৰা

### ১) সত্ৰত পালিত নিত্য কৰ্মসমূহ

অসমৰ সৰহ সংখ্যাক লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। কমলাবাৰী থূলৰ প্ৰতিখন কৃষিজীৱী সত্ৰই অতীতৰে পৰাই স্বাৱলম্বী হৈ আহিছে যদিও সত্ৰৰ নিত্য আৰু নৈমিত্তিক কৰ্তব্য, সদাচাৰ পালন, ধৰ্ম – সংস্কৃতিৰ সম্পৰ্ক অটুট আছে আৰু অতীতৰ পৰাই পৰম্পৰা অনুযায়ী পালন কৰা হৈ আছে । কৃষিজীৱী সত্ৰৰ ভকত ব্যস্ত হৈ পৰে কৃষি কৰ্মত । জেঠ মাহত কঠীয়া পাৰি আহাৰ শাওণ মাহৰ ভিতৰত ৰোপণ সমাপ্ত কৰি ভাদ মাহৰ উৎসৱৰ বাবে সকলো সেৱক ভকত ব্যস্ত হৈ পৰে । সত্ৰৰ চৌহদত নিত্য প্ৰয়োজনীয় বাঁহ, কল, নাৰিকলৰ পুলি ৰোপণ কৰাৰ উপৰি বিভিন্ন ফল-ফুলেৰে বছৰ জুৰি জাতিষ্কাৰ হৈ থাকে । ধানখেতিৰ উপৰি প্ৰয়োজনীয় শাক-পাচলিৰ খেতি কৰি স্বনিৰ্ভৰ হৈ জীৱন-যাপন কৰা কমলাবাৰী সত্ৰৰ ভকতসকলৰ আন এক পৰম্পৰা । সকলো কৰ্মৰ মাজতেই সত্ৰৰ নামঘৰত দবাদাৰীয়ে দবা কোবাই নিৰ্দিষ্ট প্ৰসঙ্গৰ আৰম্ভণি আৰু সামৰণিৰ ঘোষণা কৰে । ঘাই দেউৰীয়ে বন্তি জ্বলায়, নাম লগোৱা পাঠক, আৰ্শীবদীয়া, গায়ন, বায়ন আদি সকলোৱে নিজস্ব কৰ্মৰে সুচাৰুৰূপে সকলো কৰ্মক আগবঢ়াই লৈ

যায় । তাৰ মাজতেই সত্ৰৰ দৰ্শন কৰিবলৈ বহু আলহী- অতিথি

আহে । তাৰে ভিতৰত কোনো লোকে সত্ৰৰ সৰ্ম্পকীয় কথা আৰু পুৰণি সম্পদৰাজিৰ বিষয়ে অৱগত হয় । সত্ৰৰ বৈষ্ণৱভক্তসকলে তালৈ অহা প্ৰত্যেক ব্যক্তিকে সত্ৰৰ বিষয়ে জানিবলগীয়া সকলো কথাৰ সৰ্ম্পকে অৱগত কৰে । সংস্কৃত ভাষাৰ পুথি, পুৰণি অসমীয়া পুথি ইত্যাদি অনেক গ্ৰন্থৰ সাৰমৰ্ম সলসলীয়াকৈ সংক্ষেপতে বুজাই দিয়ে । সংস্কৃত নাট ৰচনাৰ অধ্যায় অন্ত পৰাৰ পাছত চতুদৰ্শ শতিকাত মহাপুৰুষ শংকৰদেৱে কৰা চিহ্নযাত্ৰাই পৃথিৱীৰ ভিতৰত প্ৰথম নাট্যাভিনয় । শংকৰদেৱে দি থৈ যোৱা গীত, নৃত্য, বাদ্য, ভাওনা আদি সকলোখিনি কৃষ্টি সংস্কৃতি তেতিয়াৰ পৰাই অবিৰতভাৱে চৰ্চা হৈ আছে আৰু অক্ষয় বন্তিৰ পোহৰে সকলোখিনিক জীৱন্ত কৰি অসমীয়াক জিলিকাই ৰাখিছে ।

কমলাবাৰী সত্ৰৰ প্ৰসঙ্গৰ ক্ৰম : কমলাবাৰী থূলৰ সত্ৰকেইখনত তিনিটা ভাগত চৈধ্য প্ৰসঙ্গ হয় । প্ৰাত: , বিয়লি আৰু ৰাত্ৰি প্ৰসঙ্গ ।

প্ৰাত: প্ৰসঙ্গ : সূৰ্যোদয় পৰা প্ৰায় পাঁচ দণ্ড যোৱাত আৰম্ভ হয় । পুৱাঁৰ জাগৰণৰ গীত, প্ৰাত: ভটিমা উপদেশ, নামচন্দ্ৰ শৰণচন্দ্ৰৰ ঘোষা, কীৰ্তন ঘোষা আৰু ভাগৱত পাঠেৰে পুৱাঁৰ পাঁচ প্ৰসঙ্গৰ সামৰণি পৰে ।

বিয়লি প্ৰসঙ্গ : পুৱাৰ পৰা প্ৰায় দহ দণ্ড যোৱাত বিয়লি প্ৰসঙ্গ আৰম্ভ হয় । আগপাঠ, শেষপাঠ, নামচন্দ্ৰ ঘোষা আৰু উপদেশেৰে চাৰি প্ৰসঙ্গ অনুষ্ঠিত হয় ।

ৰাত্ৰিৰ প্ৰসঙ্গ : সূৰ্য উদয়ৰ পৰা ১৭ দণ্ড ৩০ পল যোৱাত ৰাতিৰ প্ৰসঙ্গ আৰম্ভ হয় । গুণমালা ভটিমা, খোলা তালৰ প্ৰসঙ্গ, নামচন্দ্ৰৰ ঘোষা, বিৰহ কীৰ্তন আৰু ভাগৱত পাঠ পাঁচ প্ৰসঙ্গত মুঠ চৈধ্য প্ৰসঙ্গেৰে ভক্তসকলে শ শ বছৰ সত্ৰৰ আধ্যাত্মিক, সাংস্কৃতিক ৰ্চচাক যতি নপৰাকৈ অলেখ কষ্ট আৰু ত্যাগৰ মাজেৰে জীয়াই ৰাখিছে । কমলাবাৰী সত্ৰৰ প্ৰসঙ্গবিলাকৰ আৰম্ভণি আৰু সামৰণী জাননী ডবা বজাই দিয়া নিয়ম ।ডবা-ডাৰীজনে দিনটোত সাত বাৰ ডবা কোবায় ।প্ৰতি ডবাৰ নাম আছে ।যথা, চৌপৰ ডবা, চাৰিডাৰ, পৰমৰা ডবা, তিনিপৰ ডবা, সন্ধ্যা ডবা, নামথোৱা ডবা আৰু শ্ৰৱণী কোব ডবা ।

চৌপৰ ডবা : প্ৰাত : কালত এই ডবাৰ কোব পৰে । ভকতসকলে পুৱা গীত গোৱাৰ জাননী দিয়ে । পূৰ্বৰ নিয়মমতে পলীয়া নাম লগোৱাজনে কীৰ্তন ঘৰৰ মুখ্য দ্বাৰৰ মুখত বহি পুৱা গীত গোৱা নিয়ম । লগতে ভকতসকলেও নিজ নিজ বহাত ঢাৰি পাটীত পুৱা গীত গায় ।

চাৰিডৰা ডবা : পুৱা ৮ বজাত এই ডবা মাৰে । অৱশ্যে ঋতু

পৰিৱৰ্তনত ইয়াৰ সময়ৰো সাল-সলনি ঘটে । এই ডবাত চাৰিটা

কোব মাৰে । এই ডবাৰ কোবে নামঘৰৰ কৰ্মসমূহ বা প্ৰসঙ্গ আদি কৰাৰ জাননী দিয়ে ।

পৰমৰা ডবা : এই ডবাৰে পুৱাৰ নাম সামৰণি মৰা জাননী দিয়ে ।

তিনিপৰ ডবা : এই ডবাৰে দ্বিতীয় প্ৰসঙ্গ আৰম্ভ হোৱাৰ জাননী দিয়ে আৰু তিনিপৰ প্ৰসঙ্গ কৰাৰ কথাও বুজায় ।

সন্ধ্যা ডবা : সন্ধ্যা গুৰু ভটিমা গোৱাৰ পিছত সন্ধ্যা ডবা মাৰে ।

নামথোৱা ডবা : নাম অন্ত হোৱা আৰু লগতে তৃতীয় প্ৰসঙ্গ শেষ হোৱাৰ লগে লগে এই ডবা মাৰে ।

শ্ৰৱণীকোব ডবা : এই ডবাৰে গধূলি শ্ৰৱণীসকলে পুথি শুনিবলৈ যোৱাৰ জাননী দিয়ে । এই ডবাত ৯ কোব মৰা নিয়ম ।

বালক ভকতসকলে দৈনন্দিন হোৱা চৈধ্য প্ৰসঙ্গ দেখি শুনি, অনুশীলন কৰি আয়ত্ত কৰে । গুৰু চৰিত্ৰ তোলা, সংস্কৃত ভাগৱত পাঠ, ওজাপালি, প্ৰসঙ্গ পাঠ আদি সত্ৰৰ নৈমিত্তিক উৎসৱত বিশেষ বিস্তাৰকৰণ হয় ।

কমলাবাৰী সত্ৰৰ জীৱন প্ৰণালী : কমলাবাৰী সত্ৰ প্ৰতিষ্ঠাতা বদলাআতায়ো সংসাৰৰ সকলো ত্যাগ কৰি মাধৱদেৱৰ শৰণাপন্ন হৈছিল । মাধৱদেৱ আৰু কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা বদলাআতাৰ জীৱন প্ৰণালীৰ অনুকৰণেৰে কমলাবাৰী সত্ৰৰ ভকতসকলে সত্ৰ-

সংস্কৃতি ৰক্ষাৰ উদ্দেশ্য নিজৰ জীৱন-যৌৱনক সত্ৰৰ মাজত বিলীন কৰি উদসীন জীৱন যাপন কৰে । বুঢ়াভকতসকলৰ সহযোগত সত্ৰাধিকাৰজনে সত্ৰৰ পৰিচালনা কৰে । সত্য, শৌচ (পৱিত্ৰতা), দয়া আৰু ক্ষমাৰ প্ৰতীক হৈ চাৰিহাটী সত্ৰৰ প্ৰতিষ্ঠাৰ দিনৰে পৰাই আছে আৰু চন্দ্ৰ সূৰ্য থাকে মানে থাকিবই । সত্যৰ প্ৰতীক পূব হাটী, পৱিত্ৰতাৰ প্ৰতীক পশ্চিম হাটী, ক্ষমাৰ প্ৰতীক উত্তৰ হাটী আৰু দয়াৰ প্ৰতীক দক্ষিণ হাটীৰ বহাসমূহত বসবাস কৰা সন্তসকলে অন্তৰেৰে পালন কৰে সদাচাৰ, সদালাপ আৰু সত্ৰীয়া নীতি । সত্ৰ পৰিচালনাত সত্ৰাধিকাৰক সহায় কৰিবৰ বাবে প্ৰতি হাটীত থকা একোখন মুখ্য বহাৰ যোগ্যজনক এজন মুখিয়াল বা ‘বুঢ়াভকত’ ৰ দায়িত্ব পালনৰ বাবে আনুষ্ঠানিকতাৰ মাজেৰে নিৰ্মালি প্ৰদান কৰা হয় ।

এফাকি গীত গুণগুণাই পুৱা শয্যা ত্যাগ কৰাৰ লগে লগে আৰম্ভ হয় দৈনন্দিন কাৰ্য । সকলো ভক্তই ঘৰ চোতাল অঁতাই গৰু গাই লালন-পালন আদি কৰ্ম সমাধানৰ পাছত স্নান কৰি প্ৰাৰ্থনাৰ শেষত পুৱাৰ জলপান কৰে । শিকাৰু বালকসকলে গায়ন, বায়নৰ পাঠ গ্ৰহণ কৰে । আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰাসকলে বিদ্যালয়লৈ গৈ শিক্ষা গ্ৰহণ কৰে । বিভিন্ন দায়িত্বত থকা ভক্তসকলে অন্য কৰ্ম – যেনে দবাদাৰীয়ে নিৰ্দ্দিষ্টসময়ত দবা কোবাৱা, ঘাই দেউৰীয়ে অক্ষয় কৰি ৰখা, ভাগৱতী, পাঠক, নাম লগোৱা আদিয়ে নিজ কৰ্তব্য পালন কৰে । সত্ৰলৈ নিতৌ আগমন হোৱা আলহী-

অতিথিসকলক আপ্যায়ন কৰাও তেওঁলোকৰ নিত্য পালিত কৰ্ম । তাৰোপৰি সত্ৰলৈ শৰণ-ভজন ল'ব অহা ব্যক্তিসকলক শৰণ-ভজন দিয়া অন্য এক গুৰুত্বপূৰ্ণ কৰ্ম ।

২. সত্ৰীয়া উৎসৱসমূহৰ আলোচনা

সত্ৰীয়া উৎসৱসমূহ সত্ৰৰ এক অপৰিহাৰ্য বিষয় । এই উৎসৱসমূহক বিভিন্ন ভাগত ভাগ কৰিব পাৰি । সত্ৰীয়া উৎসৱৰ লগত কিছুমান ৰীতি-নীতি জড়িত হৈ আছে । সেইবাবে এই উৎসৱসমূহৰ নিজা কিছু বৈশিষ্ট্য পোৱা যায় । অসমৰ প্ৰত্যেক সত্ৰতে এই উৎসৱসমূহ উলহ-মালহেৰে পালন কৰা হয় । কিন্তু সংহতি ভেদে এই উৎসৱবোৰে বেলেগ বেলেগ তাৎপৰ্য বহন কৰে । প্ৰথম অধ্যায়ত অসমৰ সত্ৰসমূহৰ উৎসৱৰ বিষয়ে ভাগ অনুসৰি আলোচনা কৰা হ'ল । সেইবাবে অধ্যায়ত উৎসৱসমূহৰ আলোচনা একেলগে কৰা হৈছে ।

বিহু উৎসৱ : বিহু অসমীয়া লোকজীৱনৰ অপৰিহাৰ্য অংগ । অসমীয়া লোকসমাজত বিহু উদ্‌যাপন যি প্ৰাসংগিকতা, ৰীতি-নীতি প্ৰচলিত হৈ আছে, সত্ৰ সমাজতো প্ৰায় একেই । সত্ৰত বিহুক ধৰ্মীয় দিশেৰে অধিক গুৰুত্ব দিয়া হয় । বহাগ বিহুৰ উৰুকা দিনা সত্ৰত সকলো ঠাইত পৰিষ্কাৰ-পৰিচন্ন কৰা হয় । বিহু উপলক্ষ্যে নাম কীৰ্তন, বিশেষ সেৱা পূজা, খোৱা-বোৱা, নৱ-বস্ত্ৰ পৰিধান,

ক্ৰীড়া কৌতুক অনুষ্ঠান আদি বিশেষভাৱে পালন কৰা হয় । গৰু বিহু দিনা গোহালি পৰিষ্কাৰ কৰা, গা-ধোৱা, নতুন পঘা দিয়া, পিঠা-পনা খোৱা আদি কাৰ্য কৰা হয় । মানুহৰ বিহু দিনা কমলাবাৰী সত্ৰত পুৱাৰ প্ৰসঙ্গত বিহু উপলক্ষ্যে তিনিটা কীৰ্তন দিয়ে । সেই দিনা আতাৰ গৃহ, পদশিলা স্হান সত্ৰাধিকাৰ মুখ্য বুঢ়া ভকতৰ চাৰিখন বহাত সেৱাত বস্তত সকলোৱে সেৱা সৎকাৰ জনোৱা হয় । নাম প্ৰসঙ্গৰ অন্তত চৰিত পুথিৰ পিছত বিহু উপলক্ষ্যে বৰ দুভৰীয়া আৰু সৰু দুভৰীয়া গায়ন-বায়ন সকলে ধেমালি আৰম্ভ কৰে । এনে দৰে গৰু বিহুৰ দিনা কাৰ্যসূচী সমাপ্ত হয় । পিছৰ দিনা পুৱা নাম প্ৰসঙ্গ কৰি গায়ন-বায়ন আৰম্ভ কৰে আৰু বিহাৰ নাচ নচুৱায় । ৰাতি ভাওনা হয়, সুবিধা অনুসৰি । কাতি বিহুত অন্য সত্ৰসমূহৰ দৰেই উদ্‌যাপন কৰা হয় । কমলাবাৰী সত্ৰত এই বিহুক 'কৃষ্ণ পূজা' বুলি কোৱা হয় । পুৱাতে নাম প্ৰসঙ্গ কৰি সন্ধ্যা তুলসীৰ তলত চাকি জ্বলোৱা হয় । তাৰ উপৰি সত্ৰৰ চাৰিটা দিশতে বন্তি প্ৰজ্বলন কৰা হয় ।

মাঘৰ বিহুত মেজি জ্বলোৱা, ভোজ-ভাত খোৱা, নাম কীৰ্তন কৰা আদি কাৰ্য কৰা হয় । মেজি জ্বলোৱা সময়ত মানুহৰ যি সমূহ বেয়া দিশ তথা বিপদ, বিঘিনি অগ্নিয়ে নাশ কৰে যাতে তাৰ কামনা কৰা হয় ।

জন্মাষ্টমী : ভাদ মাহৰ কৃষ্ণপক্ষৰ অষ্টমী তিথিত সকলো ভাৰতীয়ই

পালন কৰা আনন্দোৎসৱ আধ্যাত্মিকভাৱেৰে সত্ৰত পালন কৰা হয় ।

প্ৰথমে শ্ৰীকৃষ্ণৰ পূজা কৰে, তাৰ পিছত দুই প্ৰকাৰে নাম কীৰ্তন কৰা হয় । এই নাম মূলত কৃষ্ণৰ জন্মকেন্দ্ৰিক হয় । ৰাতি জন্মাষ্টমী নাটকৰ ভাওনা হয় । কমলাবাৰী সত্ৰত ভাওনা নহ'লে 'হৰিক বয়ন হেৰি মাই' গীত গায় ।

ৰাস : শৰতৰ পূৰ্ণিমাৰ জোনাকত যমুনাৰ তীৰত্ হোৱা ৰাস লীলা উৎসৱ সমগ্ৰ পৃথিৱীৰ হিন্দু ধৰ্মালম্বী লোকে পালন কৰে । সত্ৰত ৰাস বুলি ক'লে তিনিটা কথা আহি পৰে – ৰাস পূজা, ৰাস অভিনয়, ৰাস উপলক্ষ্যে নাম প্ৰসঙ্গ । সত্ৰত ৰাস উৎসৱ উদ্‌যাপন পোন প্ৰথম কমলাবাৰী সত্ৰত হয় বুলি দাবী কৰে সত্ৰত অনুষ্ঠিত হোৱা ৰাস চাবলৈ লোকে লোকাৰণ্য হয় । ফাকুৱা : ফাগুন মাহৰ পূৰ্ণিমা তিথিত অনুষ্ঠিত এই উৎসৱ পোন প্ৰথমশংকৰদেৱেই আৰম্ভ কৰিছিল বৰদোৱাত । সকলো সত্ৰৰ দৰেই কমলাবাৰী সত্ৰতো এই উৎসৱ পৰম্পৰাৰে পালন কৰি আহিছে ।

পালনাম : বিহুৰ পাছতে জেঠ মাহত কমলাবাৰী সত্ৰত এদিনৰ পৰা সাতদিনলৈকে অখণ্ড তাৰে পালনাম অনুষ্ঠিত হয় । সত্ৰলৈ দূৰৰ ভকতৰ আগমনৰ লগতে গাঁৱৰ ৰাইজেও যোগদান কৰে । নামৰ অন্তত ৰাতি ভক্তিৰস পূৰ্ণ ভাওনা উপভোগ কৰে ।

গুৰু কীৰ্তন : কমলাবাৰী সত্ৰত শংকৰদেৱ-মাধৱদেৱৰ তিথি চাৰিদিনীয়াকৈ পালন কৰা হয় । ভাদ মাহত বৈকুণ্ঠ প্ৰয়াণ কৰা

বদলাআতাৰ মহাপ্ৰয়াণ তিথিও একেই পৰম্পৰাৰে পালন কৰা হয় । মাহৰ প্ৰথম কীৰ্তনৰ ছদিন (৬) আগৰে পৰা নাম জাকে আৰু খোল-বাদ্যৰ ধেমালি জোৰে । সেই ধেমালিসমূহত – ৰাগ ধেমালি ১, ৰাগ ধেমালি ২, খট ধেমালি, ৰং ধেমালি, গুৰু বন্দন ধেমালি, বৰপেটীয়া ধেমালি, চোৰ ধেমালি, ৰাম ধেমালি, ন ধেমালি, বৰ ধেমালি, ঘোষা ধেমালি, দেউ ধেমালি, তাৰ উপৰিও পাঁচখন ভাওনা, বৰগীত থাকে ।

প্ৰথম দিনা চাউল ভোজনি । ভক্তসকলে গুৰু আৰু ভকতৰ বাবে লৈ অহা দ্ৰব্য সম্ভাৰ কীৰ্তনৰ বাবে ৰাখি ভকতৰ মাজত বিতৰণ কৰা হয় । সত্ৰৰ বিষয়ববীয়াসকলে পুৱাৰ কীৰ্তন, প্ৰসঙ্গ নিতৌ পালনীয় কৰ্ম ব্যাহত নকৰে । দিনৰ ভাগত কীৰ্তন ঘৰত মহাপুৰুষসৱৰ মহান সৃষ্টি ঝমুৰা নৃত্য, নাদুভঙ্গী নৃত্যৰে গুৰুক স্মৰণ কৰা হয় । দিনৰ ভাগত গুৰু বন্দন ধেমালি বাদ্য আৰু নিশা চোৰ ধেমালি বাদ্যৰে গুৰুক প্ৰাৰ্থনা জনোৱা হয় ।

দিত্বীয় দিনা থাপনি । সেইদিনা আতাৰ গৃহৰ পৰা ঘাই বস্ত্ত মানে বৈষ্ণৱ পৰম্পৰাৰ চাৰি শাস্ত্ৰ সভক্তিৰে সত্ৰৰ পৰম্পৰাৰে গায়ন-বায়নেৰে কীৰ্তন ঘৰৰ গুৰু আসনৰ দক্ষিণ দিশৰ আসনত স্থাপন কৰা হয় । সেইদিনা সত্ৰৰ পৰম্পৰাৰে ৰাগ (খোলৰ বোল) বজাই ভোজন-বেহাৰ, চালি নৃত্য আৰু প্ৰৱেশ নৃত্য প্ৰৰ্দশনেৰে গুৰুক স্মৰণ কৰা হয় । তৃতীয় দিনা কীৰ্তন । গুৰুসৱৰ তিৰোভাৱ তিথিৰ

দিনা কীৰ্তন হয় । পুৱাৰ প্ৰসঙ্গৰ অন্তত বৰপেটীয়া ধেমালি বজাই ভোজন বেহাৰ নৃত্য আৰু ওজা কীৰ্তন কৰা হয় । নিশা প্ৰায় দুই বজামানত আৰম্ভ হয় ওজা কীৰ্তন আৰু শেহ নিশা ঘোষা ধেমালিৰে কীৰ্তন কৰ্ম অন্ত পৰে ।

চতুৰ্থ দিনা ভাঙনি । এনে পৰম্পৰাৰ মধ্যৰ ভাঙনি উৎসৱৰ পুৱাৰ ভাগত অনুষ্ঠিত হয় এভাগ কীৰ্তন ' যাত্ৰা ঘোষা' । অন্তৰ পৰশা পৰিৱেশন । পাটৰ চুৰিয়া, খালী গাৰ ওপৰত চেলেং, গামোচা, সত্ৰীয়া পাগ, ডিঙিত মালা আৰু চন্দনৰ ফোঁটেৰে সোঁমাজত উপবিষ্ট সৰ্বশ্ৰেষ্ঠ বুঢ়াভকত ডিম্বাকাৰে পৰিবেষ্টিত কৰি একে সাজ-পোছাকেৰে একুৰিৰ ওপৰত ভকত । হাতত তাল, মুখত হৰিনাম, অন্তৰত গুৰুজনাক মৰ্ত্ত্যলৈ আদৰি আনি কৰ্মৰ অন্তত বৈকুণ্ঠলৈ বিদায় জনোৱা ক্ষণৰ বিষাদৰ অনুভৱৰ চিত্ৰ । তাৰ পিছত চৰিত পাঠ কৰা হয় ।

এইসমূহৰ লগতে চত মাহত কোনো ব্যক্তি আগ কৰা হৰি কীৰ্তন পতা হয় । তাত ভকতসকলক খোৱা-বোৱা, দান-দক্ষিনা দিয়া হয় । ভাদ মাহত ভদীয়া বা ধেমালি যোৰা নাম পাতে । জেঠ মাহত কৃষ্ণকান্ত সত্ৰাধিকাৰৰ তিথি, আহিন মাহত শংকৰদেৱৰ জন্ম উৎসৱ পতা হয় । তাৰ লগতে সত্ৰ সভা, ভাগৱতৰ আয়োজন, অন্যন্যা-আলোচনা আদি পতা হয় ।

৩. সত্ৰৰ সম্পদৰাজি আৰু পুথিচিত্ৰ

কমলাবাৰী সত্ৰৰ দেৱোত্তৰ মাটিৰ হিচাপ ২২০০০ পুৰা বুলি পুৰণি নথিত পোৱা গৈছে । পাছত ৬/৮/৬৬ তাৰিখত চলাজনা সত্ৰাধিকাৰ চন্দ্ৰহাস প্ৰভুৰ দিনত অবিভক্ত শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্তৰ চৰকাৰী জাননী যোগে উক্ত লাখেৰাজ দেৱোত্তৰ ভূমিতেই পাছত নিৰ্মাণ হয় কমলাবাৰী ফেৰী ঘাটৰ পৰা লক্ষীমপুৰলৈ অহা-যোৱা কৰা কমলাবাৰী পথ । সেই ভূমিৰ সলনি ইংৰাজ চৰকাৰে দক্ষিণে টুনী নদী, উত্তৰ গৰৈ মাৰি, পূবে টুনী নদী আৰু পশ্চিমে ভেৰেক বিলেৰে আবৃত দুশ বিঘা মাটি সত্ৰৰ নামত দিয়ে ।

আহোম ৰজা ৰাজেশ্বৰ সিংহই (ৰাজত্বকাল ১৭৫১-১৭৬৯খ্ৰী:) বৈকুণ্ঠনাথ মহাপ্ৰভুৰ বিগ্ৰহ সহ নাম দত্ত কৰি পূবে কমলাবৰীয়া, পশ্চিমে পটীয়াপাৰ, উত্তৰে মৰিটুনী আৰু দক্ষিণে ব্ৰহ্মপুত্ৰৰ দ্বাৰা আবৃত ৪৭০ পুৰা মাটি সত্ৰলৈ দিয়ে । পাছত আহোম ৰজা লক্ষ্মীসিংহই (ৰাজত্বকাল ১৭৬৯-১৭৮০ খ্ৰীঃ) চাৰিজনা মহাপ্ৰভু ক্ৰমে বৈকুণ্ঠনাথ, লক্ষ্মীনাথ, বৃন্দাৱন চন্দ্ৰ আৰু মদনমোহন মহাপ্ৰভুৰ বিগ্ৰহ সহ নামদত্ত কৰি ১৬৯৮ শক(১৭৭৬খ্ৰীঃ) ত ৩২২৬০ বিঘা ১৯ লোচা মাটি দান কৰে । সেই মাটিৰ চাৰিসীমা ক্ৰমে পূবে অগ্নি চাপৰি আৰু গজলা সত্ৰ, পশ্চিমে পচলা খোৱা সুঁতি, উত্তৰে টুনীৰ পুৰণা সুঁতি আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ ধাৰ্য কৰি লাখেৰাজ দেৱোত্তৰ ভূমি সত্ৰলৈ দান কৰি দিয়া ফলি বৰ্তমান সত্ৰত সংৰক্ষিত হৈ আছে ।

বদলা পদ্মআতাৰ জন্মস্থান বৰনাৰায়ণ পুৰৰ সত্ৰাধীত কলীয়াঠাকুৰ বিগ্ৰহৰ নামত তেতিয়াৰ আহোম ৰজাই দান কৰা ৩৩৬ বিঘা ৩৬ লোচা মাটি এতিয়াও সত্ৰৰ নামত আছে । ৰাইজে ভোগ দখল কৰে । সেই মাটিৰ সামান্য উপাৰ্জ্জনেৰে সত্ৰাধীৰ সত্ৰ পৰিচালনা কৰা হয় । তদুপৰি নগাঁও জিলাৰ বৰজহাত ২৫ বিঘা ভূ-সম্পদেৰে আজিৰ পৰা প্ৰায় দুশ বছৰৰ আগেয়ে প্ৰতিষ্ঠা হোৱা কমলাবাৰী শাখা সত্ৰ বৰজহাবাসী শিষ্য সমন্বিত ৰাইজে সুন্দৰ ৰূপত পালন কৰি আছে ।

মূল কমলাবাৰী সত্ৰত সংৰক্ষিত তাম্ৰপত্ৰ আৰু পুৰণি নথিত উল্লেখ থকা ৰজা আৰু শাসকসকল ক্ৰমে- জয়ধ্বজ সিংহ, ৰাজেশ্বৰ সিংহ, লক্ষ্মী সিংহ, গৌৰীনাথ সিংহ, কৰ্ণেল দফৰ চুৰি চাহাব, কাপ্তান চুৰি চাহাবে বিভিন্ন সময়ত সত্ৰলৈ উল্লেখনীয় বৰঙনি আগবঢ়োৱাৰ প্ৰমাণ আছে ।

**মূয়ৰপঙ্খী খেল নাও :** আহোম ৰজা জয়ধ্বজ সিংহই (ৰাজত্ব কাল ১৬৫৪ -১৬৬৩ খ্ৰীঃ) বদলাআতাৰ মহিমা আৰু মাহাত্ম্যক মান্য কৰি ৰজাৰ স্থানলৈ অহা-যোৱা কৰিবৰ বাবে এখন খেল নাও সজোৱাই দিছিল । ৫৫ ফুট দীঘল, ৫ ফুট ৮ ইঞ্চি বহল খেল নাওখনি বামতো চলিব পৰাকৈ ঘিলাৰে চকা সাজি লগোৱা হৈছিল । সেই খেল নাওখনিৰ আৰ্হি মূল কমলাবাৰী সত্ৰত সংৰক্ষিত হৈ আছিল । ১৯৭৪ চনৰ ব্ৰহ্মপুত্ৰৰ প্ৰলয়কাৰী বানপানী আৰু

গৰাখহনীয়াৰ দুৰ্যোগত অসম চৰকাৰৰ তেতিয়াৰ ৰাজহ মন্ত্ৰী পৰমা গগৈদেৱে নাওখনি সংৰক্ষণৰ বাবে গুৱাহাটীৰ মিউজিয়াম লৈ স্থানান্তৰ কৰে । ( ছবিত দেখুওৱা হৈছে) ।

তাম্ৰপত্ৰ : ৰজাঘৰৰ পৰা লাভ কৰা দেৱোত্তৰ মাটি দিয়াৰ কথা সত্ৰৰ ফলি আৰু মোহৰ মৰা নথিয়ে প্ৰমাণ কৰে । কালৰ গতিত সেই দেৱোত্তৰ মাটিৰ সৰ্বাধিক অংশ বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত । বৰ্তমান পুৰণি কমলাবাৰী সত্ৰ অসম চৰকাৰে যোৰহাট জিলাৰ তিতাবৰৰ মহিমাবাৰীত দিয়া খেৰাজী মাটিত স্থাপিত ।

মহাবীৰ মন্দিৰ : কীৰ্তন ঘৰৰ দক্ষিণ দিশত স্থিত মহাবীৰ মন্দিৰত নিতৌ পূজাৰীয়ে পূজা আগবঢ়ায় । ভক্তসকলেও মাজে সময়ে মন্দিৰ দৰ্শন কৰি পূজাৰ প্ৰসাদৰ ভাগ লাভ কৰে ।

ৰাজনৈতিক আৰু প্ৰাকৃতিক দুৰ্যোগে অসমৰসমূহ সত্ৰলৈ বে-দখল আৰু বানপানীৰ দৰে ভয়াৱহতা নমাই অনা সকলোৰে জ্ঞাত । সকলোবোৰ দুৰ্যোগক অতিক্ৰম কৰি বৰ্তমানলৈকে সত্ৰই নিজস্ব পৰম্পৰাক অটুট ৰাখিছে । খেৰাজী কৃষিভূমিত কৃষিজীৱী ভকতসকলে নিজেই কৃষিকৰ্ম কৰি উৎপাদনৰ ফচল ভোগ কৰাৰ উপৰি প্ৰয়োজনত নিজস্ব উৎপাদন বিক্ৰীও কৰিব পাৰে । প্ৰতিজন ভকত স্বাৱলম্বী । সত্ৰৰ অস্থাৱৰ সম্পত্তি হিচাপে শ শ বছৰৰ আয়ুসৰ পুথি পাঁজি, সোণ ৰূপৰ বাচন-বৰ্তন, আ-অলংকাৰ, মহাপুৰুষ দুজনাৰ ব্যক্তিগত সম্পদ আদি কেৱল বুৰঞ্জীৰ সাক্ষী হোৱাই নহয় চৰ্চা আৰু

গৱেষণাৰ সমল হৈ আছে । কোনো ভকতে সত্ৰ এৰি সামাজিক জীৱন-যাপনত আগ্ৰহী হ’লে বাধা নাথাকে কিন্তু সত্ৰৰ সম্পদ ভোগ কৰাৰ পৰা বঞ্চিত হয় । পোহনীয়া জন্তু হিচাপে কেৱল গো-পালন কৰিব পাৰে ।

মূল কমলাবাৰী সত্ৰৰ অক্ষয় ভাণ্ডাৰ : কমলাবাৰী সত্ৰৰ অক্ষয় ভাণ্ডাৰক তিনি ভাগত বিভক্ত কৰিব পাৰি ।

-অতি প্ৰাচীন পুথি-পাজিঁ, তিনিওজনা গুৰুৰ ব্যৱহৃত সেৱাৰ সম্পদ ।

-আধ্যাত্মিক ভাৱাপন্ন জীৱন্ত সংস্কৃতি ।

অসমৰ সংস্কৃতিৰ মেটমৰা ভৰাঁল-গীত, নৃত্য, বাদ্যৰ উপচি পৰা সঙ্গীতৰ অতুলনীয় সম্পদ ৰাজি ।

মূল কমলাবাৰী সত্ৰত সংৰক্ষিত অতি প্ৰাচীন পুথি-পাজিঁ :

সত্ৰৰ ভৰাঁলত সংৰক্ষিত প্ৰাচীন পুথি-পাজিঁৰ সকলোখিনিৰ ৰচনা কাল ভালদৰে জনা সম্ভৱ নহয় ।সেই পুথিসমূহৰ সৰহসংখ্যক কাইথেলী লিপিত ৰচনা কৰা । কিছু পুথিৰ ভাষা সংস্কৃত, কিছুৰ ব্ৰজাৱলী আৰু কিছুৰ ভাষা পুৰণি অসমীয়া ।কিছু পুথি সম্পূৰ্ণ আৰু কিছু অসম্পূৰ্ণ অৱস্থাত সংৰক্ষিত আৰু কিছু নষ্ট প্ৰায় অৱস্থা ।তদুপৰি প্ৰায় ৩০০ খন(তিনিশ) প্ৰাচীন সাঁচিপাতৰ পুথি গুৱাহাটীত সংৰক্ষিত হৈছে । যিসমূহ পুথি সত্ৰত আছে সেইসমূহ তাতে পঢ়ি

জ্ঞান আয়ত্ত কৰা হয় ।

শংকৰদেৱ বিৰচিত পুথি : কীৰ্তনৰ স্যমন্ত হৰণ, ভাগৱত দ্বাদশ স্কন্ধ, কীৰ্তন, উত্তৰাকাণ্ড ৰামায়ণ, কালিয় দমন নাট, পত্নী প্ৰসাদ নাট, কেলি গোপাল নাট, ৰুক্মিণী হৰণ নাট, পাৰিজাত হৰণ, ৰাম বিজয় নাট, ভাগৱত স্কন্ধ এক, অনাদি পাতন, ভাগৱত স্কন্ধ তিনি, হৰিশ্চন্দ্ৰ উপাখ্যান, নিমি নৱসিদ্ধ সংবাদ, মিশ্ৰিত ভাগৱত আৰু ভাগৱতৰ অন্যান্য সংখ্যা, কুৰুক্ষেত্ৰ- ভাগৱত, গুণমালা, জন্ম নিৰ্ণয়, ৰুক্মিণী হৰণ কাব্য, ভক্তি ৰত্নাকৰ অতিৰিক্ত টোটয় আৰু অন্যান্য গ্ৰন্থ ।

মাধৱদেৱ বিচৰিত পুথি : নাম মালিকা, দধি মন্থন নাট, ভূমি লুটিৱা, চোৰধৰা- পিম্পৰা গুচোৱা, ভোজন বেহাৰ, ৰাম ঝুমুৰা, ভক্তি ৰত্নাৱলী, জন্ম ৰহস্য, ৰাজসূয়, নামঘোষা- এহেজাৰ ঘোষা পৰ্যন্ত ।

শংকৰদেৱ- মাধৱদেৱ বিৰচিত পুথি ( বাৰ চোৱা অংক, বাৰ নাটক, বৰগীত, গুৰু ভটিমা, টোটয়, চপয় ) :

ৰামচৰণ ঠাকুৰ বিৰচিত পুথি-

ভক্তি ৰত্নাকৰ, চৰিত পুথি- জীৱন চৰিত- শংকৰদেৱ আৰু মাধৱদেৱ, বৰগীত ।

ৰাম সৰস্বতী-

বনপৰ্ব (কীচক বধ)।

গোবিন্দ মিশ্ৰ -

গীতা(সংখ্যা ১ৰ পৰা ১৪৬৪ পৰ্যন্ত)।

অনন্ত কন্দলী -

ভাগৱত স্কন্ধ -১০ দ্বিতীয় ভাগ, ৰামায়ণ আদি কাণ্ড ।

পুৰুষোত্তম বিদ্যাবাগীশ-

প্ৰয়োগ ৰত্নমালা ব্যাকৰণ, প্ৰজ্ঞা ৰত্নমালা ব্যাকৰণ-প্ৰথম ভাগৰ পৰা সন্ধি প্ৰকৰণলৈ ।

দৈতাৰিঠাকুৰ -

চৰিত পুথি - জীৱন পঞ্জী-শংকৰদেৱ আৰু মাধৱদেৱ ।

ৰঘুনাথ -

জ্যোতিষ সংগ্ৰহ, জ্যোতিষ গণনা ।

গঙ্গাধৰ -

অশ্বমেধ পৰ্ব, মহাভাৰত বীণা পৰ্ব ।

মাধৱ কন্দলি -

ৰামায়ণ ।

ৰঘুনাথ মহন্ত -

শ্ৰী ৰাম কীৰ্তন ।

বৈকুণ্ঠনাথ, ভট্টদেৱ-

ভক্তি বিবেক(সংস্কৃত)।

অনন্ত আতা -

শ্ৰী ৰাম কীৰ্তন ।

দ্বিজ কবিচন্দ্ৰ, চন্দ্ৰভাৰত, ভাৰত ভূষণ -

মাৰ্কণ্ডেয় পুৰাণ কাব্য ।

শ্ৰীধৰ স্বামী -

ভাগৱত, ভাৱাৰ্থ দীপিকা স্কন্ধ-১ ।

ৰঘুনাথ ভট্টাচাৰ্য -

সংস্কৃত তন্ত্ৰসাৰ ।

বাৰাৰুচি -

পাত্ৰ কুমুদি, ব্যাকৰণ, ৰাজা প্ৰশস্তি, মন্ত্ৰী প্ৰশস্তি, যাত্ৰী প্ৰশস্তি ।

বিশ্ব মঙ্গল -

সংস্কৃত পদ্য ।

দীননাথ বেজবৰুৱা -

বৰচৰিত ।

শংকৰদেৱৰ হস্তাক্ষৰসহ পুথিৰ উপৰি গ্ৰন্থকাৰৰ নাম নথকা ভালেমান পুথি সত্ৰৰ ভৰাঁলত আছে । বুঢ়াভকতসকলৰ মতে চিত্ৰ ভাগৱত আৰু ভাগৱতৰ মূল গ্ৰন্থ এই ভৰাঁলৰ অপূৰ্ব সম্ভাৰ ।

গুৰুদুজনাৰ অনন্য সম্পদ : অতি উল্লেখনীয় শংকৰদেৱৰ ব্যৱহৃত সম্পদ তাল, মালা মাধৱদেৱক অৰ্পণ কৰি উত্তৰাধিকাৰী পতাৰ পিছত মাধৱদেৱে সেই সম্পদসমূহ আৰু চাৰিশাস্ত্ৰ ক্ৰমে কীৰ্তন, দশম, নামঘোষা, ৰত্নাৱলী আৰু মাধৱদেৱ বিৰচিত নাম মালিকা পুথি বদলাআতাক অৰ্পণ কৰি ধৰ্মৰ গুৰি ধৰিবলৈ উজনিলৈ পঠাই দিয়াৰ পাছত সংৰক্ষণ হৈ আছে কমলাবাৰী সত্ৰত । তদুপৰি শংকৰদেৱে ব্যৱহাৰ কৰা কাকৈ, হাতমোচা কাপোৰৰ অৱশেষ, কমলিধৰা পৰমানন্দ আতৈয়ে অনবৰত কঢ়িয়াই ফুৰা কুমলি, চন্দন পিহা পটা, তিনিওজনা গুৰুৱে ব্যৱহাৰ কৰা গুৱাচেপা, সোণ-ৰূপৰ অলেখ অলংকাৰ, বাৰ্চন-বৰ্তন, কোৰোলা বাঢ়েয়ে নিৰ্মাণ কৰা বাকচ, মানসকলে থৈ যোৱা যাঠি আদি মূল্যৱান সম্পদ সংৰক্ষিত হৈ আছে । মূল কমলাবাৰী সত্ৰত সংৰক্ষিত কাহঁৰ দুৱাৰ: বদলাআতাই কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা কৰাৰ আগেয়েই আহোম ৰাজবিষয়া প্ৰহ্লাদগোহাঁইয়ে ভকতৰ সেৱাৰ অৰ্থে আগবঢ়োৱা কাঁহৰ দুৱাৰ এতিয়ালৈকে সত্ৰত সংৰক্ষিত হৈ আছে । বদলাআতা থানত

**অনুষ্ঠিত হোৱা হৰিকীৰ্ত্তনলৈ প্ৰহ্লাদ দেৱ গৈ তাত ভাগ লয় । পিছত বদলাআতাৰ ওচৰত শৰণ গ্ৰহণ কৰে । তেওঁৰ ভতৃ কলীচৰণ গোহাঁইৰ মুখত বদলাআতাৰ বিষয়ে জানিব পাৰি ভক্তিভাৱে কাহেঁৰে নিৰ্মিত দুৱাৰ হৰিকীৰ্তনৰ স্থানলৈ আগবঢ়াই ।বৰ্তমান সময়চোৱাত মূল কমলাবাৰী সত্ৰত দুৱাৰ সংৰক্ষিত হৈ আছে ।**

# চতুৰ্থ অধ্যায়

## ১. অসমৰ সত্ৰ পৰম্পৰালৈ কমলাবাৰী সত্ৰৰ অৱদান

শংকৰ-মাধৱদেৱে সত্ৰ প্ৰতিষ্ঠা কৰিছিল ভক্তিধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্য ।শংকৰদেৱৰ তিৰোভাবৰ পিছত সত্ৰসমূহ চাৰিটা সংহতি অনুযায়ী ভাগ কৰা হয় । এই সংহতিৰ অনুযায়ী সত্ৰৰ পৰম্পৰাৰ কিছু সাল-সলনি ঘটে । যদিও ভক্তিধৰ্মৰ লক্ষ্য আৰু উদ্দেশ্য প্ৰায় একে থাকে ।অসমৰ সত্ৰৰ পৰম্পৰালৈ কমলাবাৰী সত্ৰৰ অৱদান বুলি ক লে বিশেষকৈ বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰৰ লগত গুৰু-দুজনাৰ সাহিত্যৰাজি কমত বিনিময় কৰে । অন্য সত্ৰসমূহৰ কমলাবাৰীও সত্ৰ মহাসভাৰ লগত জড়িত হৈ আছে । তদুপৰি অন্য সত্ৰসমূহৰ সত্ৰীয়া অনুষ্ঠান কমলাবাৰী সত্ৰত প্ৰদৰ্শন কৰা হয় । তেনেদৰে কমলাবাৰী সত্ৰই অন্য সত্ৰত তেওঁলোকৰ সত্ৰীয়া অনুষ্ঠানসমূহ পাতে । তদুপৰি সত্ৰীয়া সংস্কৃতিকলৈ লিখা বিভিন্ন ৰচনা-ৰাজি প্ৰকাশ কৰে । এনেদৰেই সদৌ অসম সত্ৰ সভাৰ লগত কমলাবাৰী সত্ৰ জড়িত হৈ অপূৰ্ব ৰচনা-ৰাজিৰ বৰঙণি দিছে । কেৱল অসমৰ সত্ৰ পৰম্পৰালৈ অৱদান আগবঢ়োৱাই নহয় কমলাবাৰী সত্ৰৰ সত্ৰীয়া আন্তৰ্জাতিক পৰ্যায়ত সত্ৰীয়া সংস্কৃতি যথেষ্ট বিস্তাৰ লাভ কৰিছিল ।

সত্ৰীয়া সংস্কৃতিৰ চৰ্চাৰে জীৱন পঅত কৰি সঙ্গীত নাটক অকাডেমীৰ ৰাষ্টীয় পুৰস্কাৰ পাওঁতাসকলৰ তালিকা –

১) ১৯৬৩ চন - গুৰু মণিৰাম দত্ত মোক্তাৰ বৰবায়ন কমলাবাৰী সত্ৰ ।

২) ১৯৮০ চন - ৰোষেশ্বৰ শইকীয়া বৰবায়ন মোক্তাৰ কমলাবাৰী সত্ৰ ।

৩) ১৯৭৮ চন - বাপুৰাম বৰবায়ন, নতুন কমলাবাৰী সত্ৰ ।

৪) ২০০১ চন - ঘনকান্ত বৰবায়ন, কমলাবাৰী সত্ৰ ।

৫) ২০০৪ চন - যতীন গোস্বামী ।

৬) ২০০০ চন - পৰমানন্দ বৰবায়ন, কমলাবাৰী সত্ৰ ।

## পঞ্চম অধ্যায়

### ১. তিতাবৰ জনজীৱনলৈ কমলাবাৰী সত্ৰৰ অৱদান

মহাপুৰুষ মাধৱদেৱৰ নুমলীয়া শিষ্য বদলাআতা বা বদলাপদ্ম আতাই অসমৰ বিখ্যাত নদী দ্বীপ মাজুলীত কমলাবাৰী নামৰ এখন সত্ৰ প্ৰতিষ্ঠা কৰে ।গুৰু দুজনাই চৰ্চা কৰা গীত-নৃত্য, সংস্কৃতিৰ আৰ্হি লৈ তেখেতে মাজুলীত ইয়াৰ প্ৰচাৰ-প্ৰসাৰ ঘটায় । এনেদৰেই সত্ৰীয়া সংস্কৃতিৰ বিকাশ ঘটি থাকে । কিন্তু্ও সেইসময়তে ব্ৰহ্মপুত্ৰ বান খহনীয়া সত্ৰৰ যথেষ্ট ক্ষতি সাধন কৰে । এই সমস্যাৰ সমাধানৰ অৰ্থে সত্ৰৰ ভকত বৈষ্ণৱসকলে সত্ৰৰ স্থানান্তৰ কথা চিন্তা কৰে ।প্ৰত্যেকখন জিলাতে মাটিৰ সন্ধান কৰে আৰু অৱশেষত তিতাবৰৰ মহিমাবাৰী অঞ্চলত মাটি সম্ভেদ পায় । সেই সময়ৰ মুখ্যমন্ত্ৰী শৰত সিংহৰ লগত আলোচনা কৰি সত্ৰৰ স্থানান্তৰ কৰে । ১৯৭৬ চনত তিতাবৰৰ মহিমাবাৰী অঞ্চলত এই সত্ৰৰ পুনৰ প্ৰতিষ্ঠা কৰা হয় । লাহে লাহে সত্ৰখনে সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ আৰম্ভ কৰে । দূৰ-দূৰণিৰ দৰ্শনাৰ্থীয়েও অহা যোৱা কৰিবলৈ লয় । সত্ৰৰ মাধ্যমেৰে বিভিন্ন জনকল্যাণমুখী কৰ্মৰ প্ৰসাৰ ঘটে । প্ৰথমতে আৰম্ভ কৰা প্ৰাথমিক বিদ্যালয় পিছলৈ উচ্চতৰ বিদ্যালয় হিচাপে গঢ়ি উঠে । তাৰ উপৰি সত্ৰৰ ভূমিত স্বাস্থ্য কেন্দ্ৰ, পশু চিকিৎসালয়, ডাকঘৰ, পানীযোগান, সঙ্গীত বিদ্যালয় আদি গঢ়ি উঠে । সত্ৰৰ আশে-পাশে স্থানীয় ৰাইজৰ আৰু সত্ৰবাসী ভক্তৰ

উদ্যোগত পৰ্যায়ক্ৰমে কমলাবাৰী সত্ৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, মহিমাবাৰী আদৰ্শ প্ৰাথমিক বিদ্যালয়, আইজনী হাজৰীকা প্ৰাথমিক বিদ্যালয়, মহিমাবাৰী মধ্য ইংৰাজী বিদ্যালয়, বৰামাৰী নবাৰুণ প্ৰাথমিক বিদ্যালয়, সোণাৰাম শৰ্মা বাল্য বিদ্যাপীঠ, শিলিখাবাৰী মধ্য ইংৰাজী বিদ্যালয়, শংকৰদেৱ মদ্য ইংৰাজী বিদ্যালয়, চাইপ্ৰেগ শ্যাম মধ্য ইংৰাজী বিদ্যালয়, পদ্মপুৰ মধ্য ইংৰাজী বিদ্যালয়, শংকৰদেৱ প্ৰাথমিক বিদ্যালয়, মাধৱদেৱ প্ৰাথমিক বিদ্যালয়, মাউত শ্যাম উচ্চ মাধ্যমিক বিদ্যালয়, বৰামাৰী প্ৰাথমিক বিদ্যালয়, কমলাবাৰী সত্ৰ সঙ্গীত বিদ্যালয় আৰু গুৰুকুল সত্ৰীয়া সংস্কৃতি প্ৰশিক্ষণ কেন্দ্ৰ গঢ় লৈ উঠে । তাৰ উপৰিও সত্ৰৰ ভকত তৰুণ-কৃষ্ণদেৱে তিতাবৰৰ মিলন নগৰত সুকীয়াকৈ বহা প্ৰতিষ্ঠা কৰি সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰ-প্ৰচাৰৰ অৰ্থে শশীকুল সঙ্গীত বিদ্যালয় প্ৰতিষ্ঠা কৰে । তাত ল'ৰা-ছোৱালীবোৰক সত্ৰীয়া নৃত্য, খোল, গায়ন-বায়নৰ প্ৰশিক্ষণ দি বিভিন্ন ঠাইত অনুষ্ঠান কৰিবলৈ লয় । কমলাবাৰী সত্ৰই কেৱল মহিমাবাৰীতে নহয় সম্পূৰ্ণ তিতাবৰৰ জনসাধাৰণলৈ যথেষ্ট অৱদান আগবঢ়ায় । জনসাধাৰণৰ মাজত সত্ৰীয়া ৰীতি-নীতিৰ প্ৰচাৰ কৰি মানসিক, আধ্যাত্মিক চিন্তাৰ বিকাশ ঘটায় ।তেওঁলোকক স্কুল-কলেজৰ আনুষ্ঠানিক শিক্ষাৰ লগত সত্ৰীয়া নৃত্য-গীত আদি দিশসমূহৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰে । তাৰোপৰি সত্ৰীয়া জীৱণধাৰণ প্ৰণালীৰ অনুসৰণ কৰি শাৰীৰিক, আৱেগিক আৰু সামাজিক দিশত জনসাধাৰণ সুস্থ হৈ পৰে ।

এনেদৰেই গাওঁ-ভূইয়ে সত্র সমাজে জনসাধাৰণ মাজত বিস্তাৰ লাভ কৰে । ধৰ্মীয় দিশত বিভিন্ন তাত্ত্বিক বিষয়সমূহক জনসাধাৰণ মাজত শৰণ-ভজন দিয়া কাৰ্যৰ দ্বাৰা সম্পন্ন কৰে । এনেদৰেই প্রতিষ্ঠাকালৰ পৰাই বৰ্তমানলৈকে এই সত্রই যথেষ্ট অৱদান আগবঢ়াইছে ।

# ষষ্ঠ অধ্যায়

## ১. উপসংহাৰ

একাদশ শতিকাৰ পৰা চতুৰ্দশ শতিকাৰ ভিতৰত ভাৰতবৰ্ষত জন্ম আৰু বিকাশ লাভ কৰা নৱবৈষ্ণৱ আন্দোলনে ভক্তিধৰ্ম স্থাপন কৰিলে । অসমলৈ শংকৰদেৱেই ভক্তিধৰ্মৰ সোঁতটি বোৱাই আনিলে । তাৰ পাছতে তেওঁৰ অনুগামীসকলে সত্ৰ প্ৰতিষ্ঠা কৰি ভক্তিধৰ্মৰ বিস্তাৰ ঘটালে । সত্ৰসমূহে অসমৰ জীৱন সমাজৰো নতুন সংগঠন সম্ভপৰ কৰি তুলিলে । শংকৰদেৱৰ মৃত্যুৰ পিছত সত্ৰসমূহ চাৰিটা সংহতিত বিভাজিত হ'ল আৰু অঞ্চলভেদে বাহিৰৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ পাৰ্থক্য ঘটিল ।

এই অধ্যয়নে এই কথা প্ৰমাণ কৰে যে সংহতি অনুসৰি সত্ৰসমূহৰ মাজত পাৰ্থক্য থাকিলেও ভক্তিৰ মূল লক্ষ্য আৰু উদ্দেশ্য একে ।তদুপৰি অসমৰ সত্ৰসমূহৰ ইতিহাস, সত্ৰীয়া জীৱন-ধাৰাৰ প্ৰণালী, উৎসৱ-পৰ্ব, ৰীতি-নীতি, নিত্য-নৈমিত্তিক কাৰ্যৰ আভাস পোৱা গ'ল । তাৰ লগতে মাজুলীৰ পৰা স্থানান্তৰিত হোৱা কমলাবাৰী সত্ৰৰ পূৰ্বতে থকা ঠাইত আৰু বৰ্তমানৰ ইতিহাসৰ সৰ্ম্পকে অনুধাৱন কৰা হ'ল । সত্ৰখনৰ নিত্য নৈমিত্তিক কাৰ্য, উৎসৱ-পৰ্ব লগত জড়িত ৰীতি-নীতি, প্ৰাচীন পুথিঁ-পাজি, সম্পদ, অসমৰ সত্ৰৰ লগত কমলাবাৰীৰ মাজত থকা মিল-অমিল, অসমৰ সত্ৰৰ পৰম্পৰালৈ আগবঢ়োৱা অৱদান, তিতাবৰ জনজীৱনলৈ

আগবঢ়োৱা অৱদান আদিৰ সম্পৰ্কে এই অধ্যয়ণত অনুমান কৰিব পাৰি ।

এই অধ্যয়ণৰ জড়িতে সত্ৰৰ প্ৰতিষ্ঠা, গঠন প্ৰণালী, উৎসৱৰ তাৎপৰ্য আদি দিশসমূহৰ বিষয়ে জনাব পাৰি ৱৰ্তমান সময়ত এই সত্ৰীয়া পৰম্পৰা আৰু ঐতিহ্যই যথেষ্ট সমাদৰ লাভ কৰি বিস্তাৰ লাভ কৰিছে ।

# সহায়ক গ্ৰন্থপঞ্জী

গোস্বামী, পীতাম্বৰদেৱ : সত্ৰীয়া উৎসৱৰ পৰিচয় হৰু তাৎপয্য প্ৰকাশন, কৌস্তুভ প্ৰিন্টাছ্, ডিব্ৰুগড় প্ৰথম প্ৰকাশ নবেম্বৰ, ২০০২ খ্ৰীষ্ঠাব্দ

গোস্বামী, নাৰায়ণ চন্দ্ৰদেৱ : সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা, প্ৰকাশনলয়াছ বুকষ্টল পাণবজাৰ, গুৱাহাটী প্ৰকাশ – ১৯৮৪ চন

নেওগ, মহেশ্বৰ : অসমৰ সাংস্কৃতিক ঐতিহ্য নৃত্য-গীত, অভিনয় প্ৰকাশন – কৌস্তুভ, প্ৰকাশ – ১৩ ছেপ্টেম্বৰ, ২০০৩ খ্ৰীষ্টাব্দ

বৰকাকতী, সঞ্জীৱ কুমাৰ : পূৰ্ণাংগ কথা গুৰুচৰিত, প্ৰকাশন –বীনা মন্দিৰ, প্ৰকাশ – ২০০৭

বৰা, তুলতুল : ইতিহাসৰ জলঙাৰে শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ শত পল্লৱ প্ৰকাশন – বৰকটকী এণ্ড কোম্পানী

প্ৰাইভেট লিমিটেড মালৌ আলি,
যোৰহাট- ১ প্ৰথম প্ৰকাশ – ১৯৩২
শক, ভাদ্ৰ মাহ
আগষ্ট ২০১১ খ্ৰীঃ

বৰা, কৰুণা (সম্পা) : শ্ৰীশ্ৰী উত্তৰকমলাবাৰী সত্ৰৰ ৰাস
পৰম্পৰা আৰু উত্তৰণ, প্ৰকাশন– দেৱ
প্ৰিন্টাৰ্ছ গড়মূৰ, মাজুলী প্ৰকাশ – ২০২১

শৰ্মা, সত্যেন্দ্ৰ নাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,
প্ৰকাশন সৌমাৰ, ৰিহাবাৰী গুৱাহাটী,
প্ৰকাশ - ২০১৫

# তথ্যদাতাৰ তালিকা

নাম : শ্ৰীশ্ৰী ভৱকান্ত দেৱ গোস্বামী

বয়স : ৮৪ বছৰ

বৃত্তি : সত্ৰৰ সত্ৰাধিকাৰ, শিল্পী

শিক্ষাগত অৰ্হতা : এল. পি. পাছ ।

নাম : শ্ৰী দণ্ডিৰাম শৰ্মা

বয়স : ৬৯

বৃত্তি : সত্ৰৰ বুঢ়াভকত

# আলোক চিত্র



চিত্র ভাগৱত
(শংকৰদেৱৰ ৰচিত)



সাঁচিপাতৰ কীৰ্তন পুথি
(শংকৰদেৱৰ ৰচনা)



অতিথি





শিক্ষাৰ্থী


























































# প্ৰসঙ্গটোকা

১. সত্ৰৰ বুঢ়াভকতৰ পৰা পোৱা হয় পৃঃ- ৪৪

২. সত্ৰৰ বুঢ়াভকতৰ পৰা পোৱা হয় পৃঃ -৫৫

৩. পীতাম্বৰ দেৱ গোস্বামীৰ সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য নামৰ গ্ৰন্থ্ৰ খনৰ পৰা লোৱা হৈছে পৃঃ- ৫১–৫২

৪. তুলতুল বৰুৱাৰ ইতিহাসৰ জলঙাৰে শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ শত পল্লৱ নামৰ গ্ৰন্থ খনৰ পৰা লোৱা হৈছে পৃঃ- ৫৭

৫. তুলতুল বৰুৱাৰ ইতিহাসৰ জলঙাৰে শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ শত পল্লৱ নামৰ গ্ৰন্থ খনৰ পৰা লোৱা হৈছে পৃঃ-৬১

৬. সত্ৰৰ সত্ৰাধিকাৰৰ পৰা পোৱা হয় পৃঃ-৭০